# তিতাবৰ মহকুমাৰ সোণোৱাল কছাৰীসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱন ধাৰাৰ ঃ এটি অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষান্মাসিকৰ অসমীয়া
**DSE-3(H)** কাকতৰ বাবে প্ৰস্তুত কৰা গৱেষণা প্ৰকল্প।


তত্ত্বাৱধায়ক

ড০ দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা

শ্ৰীমতী ৰীজুমণী কছাৰী
ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
**Roll No. ঃ 308110148**
**Registration No ঃ S1921734**



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট
ইং - ২০২২ বৰ্ষ

ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট- ৭৮৫৬৩০

ভ্ৰাম্যভাষঃ ৭০০২৮৬২৩৭১
ইমেইল ঃ dprotim@gmail.com

প্ৰসঙ্গ নং.........

তাৰিখ ঃ ১২/০৭/2022

## প্ৰমাণ পত্ৰ

ইয়াৰ দ্বাৰা প্ৰমাণ পত্ৰ দিয়া হয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া (উচ্চমান) বিষয়ৰ **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰস্তুত কৰিবলগা প্ৰকল্পৰ বাবে শ্ৰীমতী ৰীজুমণি কছাৰীয়ে মোৰ তত্ত্বাৱধানত *তিতাবৰ মহকুমাৰ সোণোৱাল কছাৰীসকলৰ সমাজিক-সাংস্কৃতিক জীৱনধাৰাৰ এটি অধ্যয়ন* বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। প্ৰকল্পৰ বাবে কৰা ক্ষেত্ৰ অধ্যয়ন তেওঁৰ নিজা প্ৰচেষ্টাৰ ফল। ছাত্ৰীগৰাকীয়ে প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সকলো নিয়ম আৰু গৱেষণা পদ্ধতি মানি চলিছে। প্ৰকল্পৰ কোনো অংশ তেওঁ পূৰ্বতে প্ৰকাশ কৰা নাই।

তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

দেৱপ্ৰতীম হাজৰিকা
(ড° দেৱপ্ৰতীম হাজৰিকা)

Department of Assamese
Date ............

# অসমীয়া বিভাগ
## নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


ৎ.........

তাৰিখ ঃ ০৭০৭.২০২২

### প্ৰমাণ পত্ৰ

শ্ৰীমতী ৰীজুমণি কছাৰী স্নাতক ষষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১৪৮) ৰ ছাত্ৰী। তেওঁ ড০ দেৱপ্ৰতীম হাজৰিকাৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"তিতাবৰ মহকুমাৰ সোণোৱাল কছাৰীসকলৰ** সামাজিক-সাংস্কৃতিক **জীৱনধাৰাৰ এটি অধ্যয়ন"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী তামুলী

বিভাগীয় প্ৰধান

অসমীয়া বিভাগ,

নন্দনাথ শইকীয়া মহাবিদ্যালয়,

তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

## কৃতজ্ঞতা

"তিতাবৰ মহকুমাৰ সোণোৱাল কছাৰীসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱন ধাৰা এটি অধ্যয়ন" এই আলোচনা শীৰ্ষক প্ৰকল্পখন ডং দেৱপ্ৰতীম হাজৰীকা ছাৰৰ তত্ত্বাৱধানত প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা আদি কৰি গৱেষণা কাৰ্যত বহুতো দিহা পৰামৰ্শ আগবঢ়াই আৰু লগতে বিভিন্ন সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত ডং দেৱপ্ৰতীম ছাৰে সম্পূৰ্ণ সহায় সহযোগিতা আগবঢ়াই এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহায় আগবঢ়ালে যাৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ । তেখেতক হিয়াভৰা শুভেছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি অসমীয়া বিভাগৰ সমূহ কৰ্মকৰ্তাক মোৰ গৱেষণা প্ৰত্ৰত সহায়  সহিযগিতা আহগবঢ়োৱা শদিয়াল কছাৰী গাঁৱৰ ৰুনু কছাৰী আৰু বিমলা সোণোৱাল বাইদেউকো ধন্যবাদ জনালোঁ।

লগতে ডি.টি.পি. ত সহায় কৰি দিয়া যতীন শইকীয়াক আৰু গৱেষণা ক্ষেত্ৰ অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ লগত যোৱা আৰু কিতাপ পত্ৰ দি সহায় কৰা মোৰ মৰমৰ বান্ধৱী প্ৰিয়াশ্ৰী বৰুৱা, লক্ষিমী দাস, বাৰ্বী গগৈ, চয়নিকা শইকীয়া, জিণ্টি শইকীয়া, হৰিপ্ৰিয়া কছাৰী আৰু বন্ধু অভি গগৈ, অভিনাচ গগৈ, প্ৰমোদ চাংমাই আৰু গৱেষণা কাৰ্যত আৰম্ভণিৰে পৰা সহায় সহযোগিতা আগবঢ়োৱা মোৰ মা, দেউতা, ভণ্টি আৰু আইতাৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লো।



ৰীজুমণী কছাৰী

স্নাতক ষষ্ঠ যান্মাসিক

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ মহকুমাৰ সোণোৱাল কছাৰীসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱন ধাৰা এটি অধ্যয়ন

## সূচীপত্ৰ


০.০০ অৱতৰণিকা

০.০১ বিষয়ৰ পৰিচয়

০.০২ বিষয়ৰ উদ্দেশ্য

০.০৩ বিষয়ৰ পৰিসীমা

০.০৪ বিষয়ৰ পদ্ধতি

০.০৫ পূৰ্বকৃত অধ্যয়ন

প্ৰথম অধ্যায়

১.০০ সোণোৱাল কছাৰীসকলৰ চমু পৰিচয়

১.০১ সোণোৱাল কছাৰীসকলৰ লোক সংস্কৃতি

দ্বিতীয় অধ্যায়

২.০০ সোণোৱাল কছাৰসকলৰ সামাজিক আচাৰ-অনুষ্ঠান

২.০১ ধৰ্ম

২.০২ কৃষি

২.০৩ গৃহ নিৰ্মাণ প্ৰণালী

২.০৪ বসবাস প্ৰণালী

২.০৫ বিবাহ ব্যৱস্থা

২.০৬ শান্তি বিয়া বা নোৱাই তোলনী বিয়া

২.০৭ বৰ বিয়া

২.০৮ সোণোৱাল কছাৰীসকলৰ উৎসৱ অনুষ্ঠান

২.০৯ সোণোৱাল সকলৰ খাদ্য প্ৰণালী

তৃতীয় অধ্যায়

৩.০০ সিদ্ধান্ত

৩.০১ সামৰণি

প্ৰসংগ টোকা

গ্ৰন্থপঞ্জী

নমলদাতাসকলৰ সংক্ষিপ্ত তথ্য

আলোকচিত্ৰ

**০.০০ অৱতৰণিকা ঃ**

বাৰে ৰহনীয়া অসম বিভিন্ন জাতি জনজাতিৰ সমন্বয়ৰ ক্ষেত্ৰ। এই ক্ষেত্ৰখনত প্ৰত্যেকটো জনগোষ্ঠীয় নিজা নিজা ভাষিক আৰু সাংস্কৃতিক বৈশিষ্ট্য বজাই ৰাখিবলৈ সক্ষম হৈ আহিছে। কিন্তু দীৰ্ঘদিন ধৰি বসতি কৰি অহা অসমৰ এই জনগোষ্ঠীসমূহৰ ভাষিক আৰু সাংস্কৃতিক উভয় দিশতে উভয়ে উভয়ৰ দ্বাৰা প্ৰভাৱিত হৈছে। এনেকৈয়ে অসমৰ পাহাৰ-ভৈয়াম আৰু সীমান্তত বাস কৰি অহা জনগোষ্ঠীসমূহৰ ভাষিক আৰু সাংস্কৃতিক দিশত সমন্বয়ৰ কোষ গঠন হৈছে। এই ক্ষেত্ৰত অসমীয়া কৃষ্টি সংস্কৃতিলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়োৱা, বৰ্তমানে ভৈয়াম অঞ্চলত বাস কৰি অহা জনগোষ্ঠীসমূহৰ ভাষিক আৰু সাংস্কৃতিক দিশত সমন্বয়ৰ কোষ গঠন হৈছে। এইক্ষেত্ৰত অসমীয়া কৃষ্টি-সংস্কৃতিলৈ অভূতপূৰ্ব বৰঙণি আগবঢ়োৱা, বৰ্তমানে ভৈয়াম অঞ্চলত বাস কৰি থকা জনগোষ্ঠীটোৱেই হৈছে উজনি অসমৰ সোণোৱাল কছাৰীসকল।

নৃতাত্ত্বিক বিচাৰত সোণোৱাল কছাৰীসকল মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত আৰু ভাষাতাত্ত্বিক বিচাৰত চীন তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত - বৰ্মী শাখাৰ অন্তৰ্গত। এই জনগোষ্ঠীয় লোকসকল বৰ্তমানে উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, লখিমপুৰ আৰু ধেমাজি জিলাৰ প্ৰায় ছশখন গাঁৱত বাস কৰি আছে। অৱশ্যে কম বেছি পৰিমাণে অসমৰ অন্যান্য দুই এখন জিলাতো এই জনগোষ্ঠীয় লোকৰ বসতি আছে। ২০০১ চনৰ লোকপিয়ল অনুসৰি সোণোৱাল কছাৰীসকলৰ জনসংখ্যা আছিল ২,৭৮,৪১১ জন। আকৌ ১৮৭১ চনৰ লোকপিয়ল অনুসৰি সেই সময়ৰ লক্ষীমপুৰ জিলাত (অৰ্থাৎ বৰ্তমান লক্ষীমপুৰ, ধেমাজি, ডিব্ৰগড় আৰু তিনিচুকীয়া জিলা একত্ৰে) সোণোৱাল কছাৰীসকলৰ জনসংখ্যা আছিল ১৪,৯৪৯ জন আৰু তেওঁলোকক ইয়াৰ Ab Original Tribe অৰ্থাৎ প্ৰাচীন অধিকাৰী বুলি উল্লেখ কৰা হৈছে। উল্লেখ্য যে সেই সময়ত লক্ষীমপুৰ জিলাত যিমানবিলাক জাতি জনজাতিৰ নাম উল্লেখ কৰা হৈছিল, সেই সকলোৰে ভিতৰত সোণোৱাল কছাৰীসকলৰ জনসংখ্যা আছিল দ্বিতীয়।

সোণোৱাল কছাৰীসকলৰ আদিপুৰুষ চীন-তিব্বতীয় বা মংগোলীয় গোষ্ঠীৰ লোকসকলৰ আদি বাসস্থান হৈছে দক্ষিণ পশ্চিম চীন আৰু পৰৱৰ্তী সময়ত এই ঠাইৰ পৰাই তেওঁলোকে বিভিন্ন ঠাইলৈ প্ৰব্ৰজন কৰে। ইয়াৰ তিনিটা দলে দক্ষিণলৈ প্ৰব্ৰজন কৰি ম্যানমাৰৰ উত্তৰ-পূৱ অঞ্চলত উপনীত হয় আৰু তাৰ পৰাই এটা দলে হিমালয়ৰ পাদদেশৰে পশ্চিমলৈ গতি কৰি তিব্বত, ভূটান, নেপাল আদি ঠাইত বসতি কৰিবলৈ লয়। পাছলৈ তেওঁলোকৰ কোনো কোনো লোকে সেই ঠাইৰ পৰা দক্ষিণলৈ যাত্ৰা কৰি ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা আৰু তাৰ দাঁতিকাষৰীয়া পাহাৰবোৰত থিতাপি লয়। এই লোকসকলেই সোণোৱাল কছাৰীসকলৰ আদিপুৰুষ বুলি নৃতত্ত্ববিদ ডঃ ভূৱন মোহন দাসে উল্লেখ কৰিছে।

সময়ৰ সোঁতত বিভিন্ন ঘাত-প্ৰতিঘাতৰ মুখামুখি হোৱা সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত সমাজ-জীৱন, সাজপাৰ, ৰন্ধন, প্ৰকৰণ, ৰীতি-নীতি, উৎসৱ-পাৰ্বণ, জন্ম-মৃত্যু, বিবাহ, লোক সাহিত্য আদি দিশত বিশেষ বিশেষ স্বকীয় বিশেষত্ব পৰিলক্ষিত হয়। বিশেষকৈ এই জনগোষ্ঠীয় লোকসকল লোক-সাহিত্য বা মৌখিক সাহিত্যৰ ক্ষেত্ৰত যথেষ্ট চহকী। তেওঁলোকৰ মুখে মুখে এটা প্ৰজন্মৰ পৰা অন্য এক প্ৰজন্মলৈ পৰম্পৰাগতভাৱে অজস্ৰ লোকগীত, ফকৰা-যোজনা, সাধুকথা, নৃত্য বা নাচসমূহে সোণোৱাল কছাৰীসকলৰ সমাজ আৰু সাংস্কৃতিক জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে আৰু ইয়ে তেওঁলোকক স্বকীয় মৰ্য্যাদা প্ৰদানত সহায় কৰিছে।

অসমৰ বাৰে-ৰহনীয়া সাংস্কৃতিক পৃষ্ঠভূমিত বিশেষভাবে অৰিহণা আগবঢ়োৱা সোণোৱাল কছাৰীসকলৰ উল্লেখযোগ্য কোনো বুৰঞ্জী বা লিখিত বিৱৰণ পাবলৈ নাই। কিন্তু তেওঁলোকৰ যিবিলাক লোকগীত-মাত আছে সেই গীত-মাত, নৃত্য বা নাচসমূহৰ মাজতেই তেওঁলোকৰ এক গৌৰৱোজ্জ্বল ঐতিহ্য নিহিত হৈ আছে। সোণোৱালসকলৰ এই সমাজ-সংস্কৃতিৰ ঐতিহ্য সম্পৰ্কে আলোচ্য গৱেষণা পত্ৰত ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰা হৈছে।

**০.০১ বিষয়ৰ পৰিচয় ঃ**

সোণোৱাল কছাৰীসকল অসমৰ কেৱল ভূমিপুত্ৰ জনজাতিয়েই নহয়, সাংস্কৃতিকভাৱে চহকী এটা জাতি। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ জনজাতি লোকসকলৰ সকলোৰে নিজস্ব ৰীতি-নীতি পৰম্পৰা পৰিলক্ষিত হয়। অসমৰ তৃতীয় বৃহৎ জনগোষ্ঠী সোণোৱাল কছাৰী সকলৰ মাজতো বিভিন্ন নীতি-নিয়মৰ মাজেৰে বিভিন্ন কাৰ্য সম্পাদিত কৰা দেখা যায়। যিবোৰ উমৈহতীয়া ৰীতি, নীতি, সামাজিক পৰম্পৰা, বিশ্বাস আৰু জীৱন নিৰ্বাহৰ স্বকীয় প্ৰণালী একোমুঠী বান্ধক এটা জাতি সত্ত্বা বুলি চিনাকি দিব পৰাকৈ সবল কৰি তোলে এই সকলোবোৰ সোণোৱাল কছাৰীসকলৰ মাজত আছে। বিবাহ হ'ল মূলত এক সামাজিক পৰম্পৰা ই হ'ল জীৱনৰ এক অনবদ্য অংগ। বিবাহৰ লগত জড়িত নীতি নিয়মসমূহ সোণোৱাল কছাৰী লোকসকলে কেনেদৰে পালন কৰে আৰু বসবাস প্ৰণালী , গৃহ নিৰ্মাণ পদ্ধতি, খাদ্য সম্ভাৰ, পৰম্পৰাগত উৎসৱ-পাৰ্বণ, আ-অলংকাৰ আৰু কেনেদৰে জীৱন নিৰ্বাহ কৰে এটি চমু আভাষ এই প্ৰকল্পৰ জৰিয়তে দিয়া হৈছে।

**০.০২ বিষয়ৰ উদ্দেশ্য ঃ**

সংস্কৃতি হৰুল জাতি এটাৰ সৌন্দৰ্য্যৰ ভূষণ। সংস্কৃতিয়ে জাতি এটাৰ ৰুচি অভিৰুচিক প্ৰকাশ ঘটায়। কোনো এটা মানৱ জাতিৰ মাজত বছৰ বছৰ ধৰি পৰম্পৰাগত ভাৱে চলি অহা কিছুমান নীতি নিয়ম, ৰুচি, অভিৰুচি, বিশ্বাস-অন্ধবিশ্বাস, জ্ঞান-ধৰ্ম আদিৰ মাজেদি গঢ় লৈ উঠা এটা প্ৰক্ৰিয়া। সংস্কৃতি মানৱ সৃষ্ট সামাজিক আচৰণ। বাৰেৰহণীয়া সংস্কৃতিৰ মিলন ভূমি এই অসম নামৰ ভূ-খণ্ডত বিভিন্ন জাতি জনগোষ্ঠীৰ নিজৰ সাংস্কৃতিক বৰ্তি আছে। অসমত বাস কৰা প্ৰতিটো জনগোষ্ঠীৰ নিজা সামাজিক নীতি-নিয়মৰ মাজেৰে বিভিন্ন অনুষ্ঠান পালন কৰা দেখা যায়। সোণোৱাল জনগোষ্ঠীৰ লোকসকলৰ মাজতো তেনেদৰে বিভিন্ন অনুষ্ঠান পালন কৰা দেখা যায়। তেওঁলোকৰ বিভিন্ন ৰীতি-নীতি, আ-অলংকাৰ, উৎসৱ অনুষ্ঠান, সামাজিক আচাৰ-অনুষ্ঠান আদি পৰম্পৰা সমূহ সমাজৰ আগত দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

**০.০৩ বিষয়ৰ পৰিসীমা ঃ**

সোণোৱাল কছাৰীসকলৰ জনগোষ্ঠীৰ মাজত প্ৰচলিত সামাজিক সাংস্কৃতিক জীৱন ধাৰা এটি অধ্যয়ন চমুকৈ আভাস দিয়া হৈছে।

- সোণোৱাল কছাৰীসকলৰ চমু পৰিচয়।
- সোণোৱাল কছাৰীসকলৰ সামাজিক আচাৰ অনুষ্ঠান আৰু উৎসৱ অনুষ্ঠান সাজপাৰ, আৰু আ-অলংকাৰৰ এটি চমু আভাস দিয়া?

**০.০৪ বিষয় অধ্যয়ন পদ্ধতি ঃ**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ তথ্য সংগ্ৰহৰ পদ্ধতি হিচাপে বিশ্লেষণাত্মক আৰু বৰ্ণনামূলক

## প্ৰথম অধ্যায়

### ১.০০ সোণোৱাল কছাৰীসকলৰ চমু পৰিচয় ঃ

মূল বৃক্ষ হিচাপে কছাৰীসকল এটি পৰাক্ৰমী আৰু সু-সংগঠিত জাতি আছিল। আদিতে সকলোৰে একগোট হৈ ৰাজপাট চলাই আছিল। এইদৰে থাকোঁতে আহোম ৰজা আৰু ওচৰ চুবুৰীয়া ৰজাসকলৰ পৰা সঘনাই আক্ৰমণৰ হেঁচা পোৱাত কোনো কোনোৱে মূলৰ পৰা ফাটি অহাৰ ফলতেই মূল কছাৰীৰ পৰা বড়ো, মেছ, হাজং ৰাভা (কোচ), ডিমাছা লালুং, ঠেঙাল, সোণোৱাল কছাৰীৰ সৃষ্টি হয় যেন অনুমান হয়। এই বিভিন্ন কছাৰী জাতিসমূহে বিভিন্ন কছাৰী জাতিৰ নামকৰণেৰে লক্ষীমপুৰ, শিৱসাগৰ, দৰং, নগাওঁ, কামৰূপ, গোৱালপাৰা, কোচবিহাৰ আদি জিলা আৰু স্থানসমূহক নিজ নিজ বাসস্থানৰ কেন্দ্ৰ কৰি লৈ বসতি কৰিবলৈ ধৰে। পূৰ্বৰ কছাৰী গোষ্ঠীৰ যি মুষ্টিমেয় জনসমাজ কাছাৰত থাকে, এওঁবিলাক বৰ্মন আদি আখ্যাৰে ৰজাৰ বংশধৰ বুলি পৰিচয় দি আহিছে।

জনশ্ৰুতি মতে পোৱা কথা এটি বিজ্ঞসমাজৰ ওচৰত দাঙি ধৰিলোঁ। সোণোৱাল কছাৰীৰ কিছুমানৰ মুখত শুনা যায় যে বাণৰজা নতুবা তেওঁৰ পিছৰ এজন ৰজাৰ ডিমাছা, গৰা, ভালুকবীৰ আৰু হগ্ৰা নামে চাৰি পুত্ৰ আছিল। ডিমাছাই ডিমাপুৰ বা কাছাৰত বড়ো বা কছাৰী ৰাজ্য, গৰাই গাৰো পাহাৰত গাৰো ৰাজ্য, ভালুকবীৰে বলিপাৰাত অঁকা ৰাজ্য প্ৰতিষ্ঠা কৰে। হগ্ৰাই কিছুমান অৰ্থাৎ এহেজাৰ লোক লৈ উত্তৰ দিশ শদিয়ালৈ উজাই আহে।

সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকসকল সাংস্কৃতিকভাৱে অতি চহকী জাতি। এই ভূমিপুত্ৰ সকলৰ পূজা-পাতল, কলাকৃষ্টি আৰু গীত-মাতক লৈ নিৰ্মাণ কৰা যিবোৰ উমৈহতীয়া ৰীতি-নীতি, সামাজিক পৰম্পৰা, বিশ্বাস, জীৱন নিৰ্বাহৰ প্ৰণালী একোমুঠা বান্ধক এটা জাতিৰ সত্বা বুলি চিনাকি দিব পৰাকৈ সবল কৰি তোলে, এই সকলোবোৰ সোণোৱাল কছাৰী লোকসকলৰ মাজত আছে। সোণোৱাল কছাৰী লোকসকলৰ ধৰ্ম জীৱনৰ ঘাই হৈছে খ্ৰীং খ্ৰীং বাইথ' পূজা। তেওঁলোকৰ ধৰ্ম হৈছে বাইথ' ধৰ্ম। খ্ৰীং ৰজা হৈছে তেওঁলোকৰ প্ৰধান ইষ্ট দেৱতা। খ্ৰীং শব্দটো 'বাইথ', গজাই, মনাই আৰু ফুলকোঁৱৰ এই চাৰিজন উপাসাৰ সংযুক্ত ৰূপ শক্তিক বুজাই। সোণোৱাল কছাৰী সকলৰ গীত-মাত সমূহৰ ভিতৰত সৰ্বপ্ৰথমে নাম লক্সব লগা গীতটো হৈছে হাইছাং গীত। খ্ৰীং খ্ৰীং বাইথ' পূজাৰ তৃতীয় দিনা হাইদাং গীত গোৱা হয়। এই গীতটোক অসমীয়া সংস্কৃতিৰ এটা আপুৰুগীয়া সম্পদ বুলি গণ্য কৰা হয়।

গজাই থান সোণোৱাল কছাৰী লোকসকলৰ বাবে অতি পৱিত্ৰ তীৰ্থ স্থান। ডাউৰী নদীৰ পাৰত লাইলা গাঁৱত গজাই থান অৱস্থিত। গজাইক তেওঁলোকে অগতিৰ গতি স্বৰূপে বিশ্বাস কৰে। গজাইৰ উৎপত্তি জনশ্ৰুতিমূলক। জনশ্ৰুতি অনুসৰি গজাই গুৰু বা ডাঙৰীয়াই বেহা-বেপাৰ কৰাৰ উমানো হুঁচৰি গীতৰ ঘোষা পত্ৰৰ আধাৰত লক্সব পাৰি। এনে বেহা-বেপাৰ কৰাৰ সময়ত ডিব্ৰগড় জিলাৰ ব্ৰহ্মপুত্ৰৰ পাৰত যি ঠাইত আশ্ৰয় লৈছিল সেই ঠাইখনেই কালক্ৰমত গজাই গাওঁ হোৱা বুলি জনশ্ৰুতি আছে। সোণোৱাল কছাৰীসকলৰ গঢ় পিত সম্পূৰ্ণ মংগোলীয়। এওঁলোক চাপৰ, চেপেটা নাকৰ, ডাড়ি কম আৰু ঠৰঙা চুলিৰ হয়। সোণোৱাল কছাৰীসকল সাতটা খেল আৰু ১৪ টা বংশত বিভক্ত। গাওঁ পাতি বাস কৰা সোণোৱাল কছাৰীসকল সম্পূৰ্ণ কৃষিজীৱী। গাওঁৰ মূল মানুহজন গাঁওবুঢ়া। নামঘৰেই হ'ল গাওঁ এখনৰ প্ৰাণ কেন্দ্ৰ ইয়াতেই সামাজিক আৰু ধাৰ্মিক বিবাদ সমূহে বিচাৰ কৰে, সোণোৱাল কছাৰীসকলে ভাত, শাক-পাচলি আৰু বিভিন্ন মাছ মঙহ খায়। আগতে ভাতৰ পৰা বনোৱা মদৰ খুব প্ৰচলন আছিল যদিও বৰ্তমান একেবাৰে কমি গৈছে।

সোণোৱাল কছাৰীসকলৰ বিভিন্ন উৎসব-পাৰ্বণৰ ভিতৰত বহাগ বিহু প্ৰধান। বিহুত গাঁৱৰ নামঘৰত হুঁচৰি আনুষ্ঠানিকভাৱে আৰম্ভ কৰি ঘৰে-ঘৰে হুঁচৰি গায়। হুঁচৰি দলটোৱে এডাল দীঘল বাঁহ লৈ যায় আৰু গৃহস্থৰ ঘৰৰ চোতালত তিনিটা খুটাৰ ওপৰত ৰাখি বিহু নামৰ তালে তালে বজায়। মাঘ আৰু কাতি বিহুও এওঁলোকে পালন কৰে। সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত বিভিন্ন লোক নৃত্যৰ ভিতৰত হুগ্ৰা আৰু বহুৱা নাচ উল্লেখযোগ্য। সোণোৱাল কছাৰীসকল মংগোলীয় নৃগোষ্ঠীৰ লোক। নৃতাত্বিক দৃষ্টিকোণৰ পৰা মংগোলীয় আৰু ভাষা তাত্বিক দৃষ্টিকোণৰ পৰা চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত সোণোৱালসকলে অসমৰ ভূমিপুত্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে। ইতিহাসৰ পম খেদি গক্ললে দেখা যায় যে প্ৰাক-ঐতিহাসিক যুগতেই এই লোকসকলে মংগোল সমভূমিৰ পৰা আহি ভাৰতৰ পূব প্ৰান্তত বাস কৰিবলৈ ধৰে। এই ঠাইত বাস কৰিবলৈ লোৱাৰ পাছত জড়োপাসক এই লোকসকলে কৈৰাত ধৰ্ম গ্ৰহণ কৰি কিৰাত হিচাপে পৰিচিতি লাভ কৰে।

'যোগিনীতন্ত্ৰ'ৰ 'যোগিনীপীঠ'ত কিৰাত সকলৰ আৰু তেওঁলোকৰ ধৰ্মটোৰ কথা উল্লেখ আছে। 'মহাভাৰত'টো কিৰাত ভগদত্তৰ কথা বিশেষভাৱে পোৱা যায়। কুৰুক্ষেত্ৰৰ যুদ্ধত এইজন যোদ্ধাই উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। তেনেদৰে যৰ্জুবেদ, অথৰ্ববেদ আদিত কিৰাত জাতিৰ উল্লেখ আছে। 'বিষ্ণুপুৰাণ'তো কিৰাতসকল ভাৰতৰ পূব প্ৰান্তৰ অধিকাৰী বুলি উল্লেখ আছে। এইবিলাকৰ পৰা খ্ৰীষ্টপূৰ্ব ৩০০০ বছৰৰ আগতেই কিৰাতসকল উত্তৰ-পূব ভাৰতত বসতি স্থাপন কৰাৰ কথা প্ৰতীয়মান হয়। এই কিৰাতসকলেই হ'ল পৰবৰ্তী কালৰ কছাৰীসকল। কছাৰীসকলৰ মাজত ১২টা ফৈদ আছে। তাৰ ভিতৰত এটা হ'ল বাদু সুণলয় অৰ্থাৎ সোণোৱাল কছাৰীসকল। অসমৰ উজনি খণ্ডৰ হালালী গণৰাজ্য পাতি স্বকীয় জীৱন প্ৰণালীৰে বসবাস কৰা এই লোকসকল কালক্ৰমত আন ফৈদৰ লগতে বহিগোষ্ঠীৰ আক্ৰমণৰ উপৰি পৰবৰ্তী পৰ্যায়ত ৰাজনৈতিক, অৰ্থনৈতিক তথা বাণিজ্যিক, শৈক্ষিক, যাতায়ত ব্যৱস্থা ইত্যাদি বিভিন্ন কাৰণত অসমত বিভিন্ন ঠাইত সিচঁৰিত হৈ পৰে। এনেদৰে বিভিন্ন ঠাইত বাস কৰিবলৈ লোৱা সোণোৱালসকলে স্বকীয় ৰীতি-নীতি, পৰম্পৰা আদি সম্পূৰ্ণৰূপে বাদ নিদি ধৰি ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা চলায়। সেয়ে গণৰাজ্য ধ্বংস হৈ যোৱাৰ পাছত সোণোৱালসকলৰ সামূহিক জীৱন যাত্ৰাৰ পৰম্পৰাটো বিঘ্নিত হৈছিল যদিও সাম্প্ৰতিক সময়লৈকে নিজা সমাজ-সংস্কৃতিৰ ঐতিহ্যৰ ধ্বজা জনগোষ্ঠীটোৰ মাজত পৰিদৃশ্যমান হয়। বিভিন্ন দিশৰ পৰা সোণোৱালসকলৰ এই সমাজ সংস্কৃতিৰ ঐতিহ্য সম্পৰ্কে আলোচ্য গৱেষণা পত্ৰত ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰা হৈছে।

এগৰাকী ইংৰাজ লেখক এল. এ বাতেলে সোণোৱাল কছাৰীসকলৰ বিষয়ে তলত দিয়া দৰে মন্তব্য কৰিছে - "The Sonowal or Sodial are mostly gold washer in the Lakhimpur district in Upper Assam".

সোণোৱাল বা শদিয়াল কছাৰীসকল যতদুৰ সম্ভৱ উজনি অসমৰ লক্ষীমপুৰ (অবিভক্ত) জিলাৰ সোণ কমোৱা সোণোৱালসকলেই।

ইতিহাসবিদ তথা কবি সাহিত্যিক হিতেশ্বৰ বৰবৰুৱাই তেওঁৰ 'আহোমৰ দিন' নামৰ গ্ৰন্থত উল্লেখ কৰিছে এইদৰে -

'সোণোৱাল কছাৰীসকলৰ ঘৰ পূৰ্বে উজনি অঞ্চলৰ শদিয়াত আছিল আৰু সোৱণশিৰি নৈত সোণ কমাইছিল'।

ড° সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰা 'কছাৰী বুৰঞ্জী'ত সোণোৱালসকলৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে - শদিয়া অঞ্চলত কছাৰীসকলে ৰাজ্য পাতি প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰিছিল। এই ৰাজ্যৰ সীমা

পূবে শদিয়া, পশ্চিমে দিখৌমুখ আৰু দক্ষিণে দিলিহৰ কেন্দুগুৰিলৈকে স্থিতি আছিল। ৰাজ্যৰ বাসিন্দাসকলক শদিয়াল কছাৰী বুলি উল্লেখ কৰিছে। যাৰ অৰ্থ হয় - মাটি, লালী-উজ্জ্বল অৰ্থাৎ উজ্জ্বল মাটিৰ দেশ। এই শদিয়াল কছাৰীসকলেই পৰৱৰ্তী সময়ত সোণোৱাল কছাৰী নামেৰে খ্যাত হৈ পৰে।

সোনোৱালসকলৰ ইতিহাস সম্বন্ধে আন এক গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে নৃতাত্ত্বিক পণ্ডিত ডং ভুৱন মোহন দাসে। তেওঁৰ মতে প্ৰাচীন কালত কোনো এটা সময়ত তিব্বত বৰ্মী ভাষী মংগোলীয় লোকৰ দল এটাই তেওঁলোকৰ আদি বাসস্থান চীন দেশৰ পশ্চিম অঞ্চলৰ পৰা দক্ষিণলৈ প্ৰবজন কৰি ম্যানমাৰৰ উত্তৰ-পূব অঞ্চলত উপনীত হয় আৰু তাৰ পৰা তেওঁলোকৰ এটা দলে হিমালয়ৰ পাদদেশেৰে পশ্চিমলৈ গতি কৰি তিব্বত, ভূটান, নেপাল আদি ঠাইত বসতি স্থাপন কৰে। পিছলৈ তেওঁলোকৰ কোনো কোনো লোকে সেই ঠাইৰ পৰা দক্ষিণলৈ যাত্ৰা কৰি ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা আৰু তাৰ দাঁতিকাষৰীয়া পাহাৰবোৰত থিতাপি লয়। এই লোকসকলেই সোণোৱাল কছাৰীসকলৰ আদিপুৰুষ। সময়ত কছাৰীসকল নানা কাৰণত নানান ঠাইত বিস্তাৰিত হৈ পৰে আৰু বিভিন্ন নামেৰে পৰিচিত হবলৈ ধৰে। সোণোৱাল কছাৰী এনে এবিধ নৃগোষ্ঠী।

সোণোৱাল কছাৰী সমাজৰ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, জনসংস্কৃতিৰ পুৰোধা ব্যক্তি, তথা সমাজ সেৱক স্বৰ্গীয় গগন চন্দ্ৰ সোণোৱাল। সোণোৱাল কছাৰী জাতিৰ 'নামকৰণ' ৰ সমৰ্থনত তলত দিয়া দৰে মত প্ৰকাশ কৰিছে আৰু সোণোৱাল সকলৰ মাজত বহাগ বিহুত প্ৰচলিত হাইদাং হুঁচৰি গীতত জাতিটোৰ সম্পৰ্কে এনেদৰে ব্যাখ্যা দাঙি ধৰিছে — "পুৰণি ভাৰতত এজন প্ৰতিভাশালী আৰু ক্ষমতাসম্পন্ন আৰু মহাদানী ৰজা হ'ল বলি। এওঁক চলিবৰ কাৰণে বিষ্ণুৱে বামন অৱতাৰ ধৰি তিনিখোজ মাটি দান হিচাপে বিচাৰে আৰু সেই ছলেৰেই বলি ৰজাক পাতালৰ সুতললৈ পঠোৱা হয়। সুতলত (পাতাল) থকা দৈত্যৰাজ বলিয়ে বিষুব সংক্ৰান্তিত সঁচাৰ ফুৰাবলৈ (সান্তনা) দিবলৈ আহে। তেওঁৰ প্ৰজাসবৰ ওচৰলৈ বছৰৰ মুৰকত এদিন মৰ্ত্যলোকলৈ আহে আৰু সোণোৱাল কছাৰীসকলে বলিৰজাৰ দোমাহী বহাগ বিহু উৎসৱ পাতি তেওঁলোকৰ পূৰ্বপুৰুষ বলি ৰজাক ওলগ জনাই হুঁচৰি গীতেৰে -

"তিনিশ তিনিকুৰি তিনিদিন  
বলিৰজা দোমাহী।  
বলিৰজা আহে আৰু যায়"।

এতেকে সোণোৱালসকল হ'ল বলিৰ বংশধৰ । তদুপৰি সোণোৱাল কছাৰীসকলৰ প্ৰাচীনত্ব সম্পৰ্কে তেওঁলোকৰ মাজত প্ৰচলিত হাইদাং গীতত উল্লেখ আছে -

আদি যুগৰ কছাৰী  
হাইদাং দেই (দে)।

সোণোৱাল কছাৰীসকলৰ আগশাৰীৰ তথ্যভিত্তিক নিবন্ধকাৰ, গীতিকাৰ আৰু সোণোৱাল কছাৰীসকলৰ ইতিহাস প্ৰণেতা স্বৰ্গীয় ৰজনী হাজৰিকাই তেওঁৰ এটি প্ৰবন্ধত তথ্যসম্বলিতভাৱে উল্লেখ কৰিছে এনেদৰে - 'হালালী ৰাজ্যত বসবাস কৰি থকা সোণোৱাল কছাৰীসকলৰ জাতি গঠন প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে পূৰ্ণতা লাভ কৰিছিল। সেয়েহে তেওঁলোকৰ আদিম সংগীত হাইদাং গীতত বংশ পৰিচয় উল্লেখ আছে। স্বকীয় ঐতিহ্যপূৰ্ণ বংশ পৰিচয় অন্তৰ্ভূক্ত হৈ পৰা মধ্যযুগীয়া উজনি অসমৰ কছাৰী মানুহ মাত্ৰেই সোণোৱাল কছাৰী বুলি জনাজাত আছিল আৰু সেই নামটোৱে জনপ্ৰিয়তা লাভ কৰিছিল। অতি সম্প্ৰতি পোহৰলৈ অহা এক তথ্য

সোণোৱাল কছাৰীসকলৰ বাৰটা ফৈদ আছিল। এই বাৰটা ফৈদ হ'ল- জমচইয়, বড়এইয়া, জুঙ্গলইয়া, বাড়ুহজইয়ঁ, বাড়ুসোনলইয়ঁ, ৰাভকিৰতইয়ঁ, ইনটোগাড়ইয়া, ইনটুহুজইথুঁ, ইনটুমেচইয়ঁ, দাউলাইয়ঁ, এনটুমিথইয়ঁ, কচইয়াঁ। এই বাৰটা ফৈদৰ বাড়ুসোনলইয়ঁ, কছাৰী ফৈদৰ পৰা সোণোৱাল কছাৰীসকলৰ নামকৰণ হৈছে। এই মতানুসৰি বাড়ু মানে বীৰ, প্ৰতাপী, সোণ-পুং সন্তান, পুৰুষ, লয়জাতি-গোষ্ঠী। অৰ্থাৎ সোনলয়-বীৰ পুৰুষ জাতি। এতেকে বাড়ু সুনলয় মানে সোণোৱাল কছাৰী জাতি। প্ৰাচীনতম আদিবাসী অৰ্থাৎ অসমৰ ভূমিপুত্ৰ।

বিভিন্নজন সমাজবিজ্ঞানী, ঐতিহাসিক পণ্ডিত, সাহিত্যৰ সমালোচক-গৱেষক, কিংবদন্তি আৰু জনশ্ৰুতি আদিৰ বিভিন্ন তথ্যৰ পৰা এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে বৃহত্তৰ কছাৰীসকলৰ এই ফৈদৰ মানুহখিনি বিভিন্ন ক্ষেত্ৰত সোণৰ লগত জড়িত থকাটো নিশ্চিত কৰিব পাৰি। ৰসায়ন বিজ্ঞানৰ ক্ষেত্ৰতো সোণৰ লগত জড়িত থকাটো নিশ্চিত কৰিব পাৰি। ৰসায়ন বিজ্ঞানত এইসকল লোক অতিশয় পাৰ্গত আছিল। অসমীয়া সংস্কৃতিৰ কলাগুৰু বিষ্ণু ৰাভায়ো কৈছিল যে সোণোৱালসকল অসমৰ এক খিলঞ্জীয়া জনগোষ্ঠী, অসমৰ ভূমিপুত্ৰ। জাতিগত পৰিচয় দিব পৰাকৈ তেওঁলোকৰ মাজত বৰণীয় সাংস্কৃতিক উপাদান আছে। এই প্ৰবন্ধত তেওঁলোকৰ জাতি পৰিচয়ৰ লগতে সাংস্কৃতিক আৰু লোক উৎসৱৰ এটি চমু পৰিচয় দাঙি ধৰাৰ যত্ন কৰা হৈছে।

**১.০১ সোণোৱাল কছাৰীসকলৰ লোক সংস্কৃতি ঃ**

অসমৰ ভূমি পুত্ৰ সোণোৱালসকল সাংস্কৃতিক দিশত অতি চহকী। নিৰ্দিষ্ট ভৌগোলিক এলেকাৰ একে ৰীতি-নীতি বা সামাজিক বিধি আৰু একে জীৱন নিৰ্বাহ পদ্ধতি তথা স্বকীয় প্ৰথাৰে মহিমামণ্ডিত এটা জনসমষ্টিক সমাজ শাস্ত্ৰৰ দিশৰ পৰা এখন সমাজ বুলি ধৰি ললে। সোণোৱালসকলো উক্ত নিৰ্দিষ্ট ৰীতি-নীতি, সামাজিক প্ৰথা, ধৰ্ম আদিৰ প্ৰচলন থকা এক বিশিষ্ট্য জনজাতীয় সমাজ। সোণোৱালসকল সাধাৰণতে সহজ-সৰল, লাজকুৰীয়া আৰু নিৰ্জু স্বভাৱৰ। তেওঁলোক মূলতঃ কৃষিজীৱী। প্ৰধানতঃ তেওঁলোকৰ সমাজ ব্যৱস্থা যৌথ পৰিয়াল ব্যৱস্থা আছিল। বৰ্তমান সৰু সৰু পৰিয়ালৰ ব্যৱস্থা বিভিন্ন কাৰণত হোৱা পৰিলক্ষিত হোৱা দেখা গৈছে। ঘৰৰ মূল ব্যক্তিজন বা দেউতাকৰ পৰিকল্পনাত ঘৰ পৰিচালনা হয়। জন্মগত জ্যেষ্ঠতাই সম্বন্ধৰো জ্যেষ্ঠতাক সূচায়। ডাঙৰ জনৰ সন্তান সৰু হক্সলেও সৰুজনৰ জন্মগত জ্যেষ্ঠতাই ককাই সম্বোধনেৰে মতা হয়। দেউতাকৰ বায়েক হক্সলে জেঠাই আৰু জেঠাইৰ স্বামীক জেঠু বা বৰপাই বুলি সম্বোধন কৰাৰ নিয়ম। সৰু হ'লে পেহী, ভায়েক হ'লে দদাই, দেউতাকৰ ককায়েক হ'লে বৰপাই বা বৰদেউতা সম্বোধনেৰে মতা হয়। দেউতাকৰ দেউতাকক দ'তা, মাকক আবৈ বুলি সম্বোধন কৰা হয়। মাকৰ ককায়েক বা ভায়েক দুয়োকো মামা বা মোমাই আৰু তেওঁলোকৰ পত্নীক মামী বা মানী বুলি সম্বোধন কৰে। বৰজনাকক বৰগৰাকী, স্বামীৰ মাক-দেউতাকক শহুৰ-শাহু বুলি কোৱাৰ নিয়ম। বায়েকৰ স্বামীক ভিনিহী বা ভিনি, ভনী জোঁৱাইক বৈনাই আৰু পত্নীৰ ককায়েক হক্সলে জেঠেৰী আৰু দৰা-কন্যাৰ ককায়েক দুজনৰ মাজৰ দক্সমেধি সম্বোধন কৰা হয়। ৰাইজৰ লগত সমিল মিলেৰে থকাটো তেওঁলোকৰ সমাজৰ এক অনন্য ব্যৱস্থা। সেয়েহে তেওঁলোকে কয় "ৰাইজেই ৰজা, জ্ঞাতিয়ে গঞা"।

গণতান্ত্ৰিক ব্যৱস্থা হিচাপে গাওঁ পৰিচালনাৰ বাবে গাওঁবুঢ়া, গাওঁৰ সামাজিক কামকাজ নিয়াৰিকৈ পৰিচালনাৰ বাবে বৰা, বাৰিক, হাজৰিকা আদিৰ উপৰিও ধন ভঁৰালী আদি বিষয়ববীয়াৰ ব্যৱস্থা সমাজত প্ৰচলিত। শঙ্কৰী আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ শঙ্কৰী কলাকৃষ্টিৰ ধ্বজাবাহী বাদ্য গায়ন বায়ন ব্যৱস্থাও

**১.০১.০১ জন্ম মৃত্যুৰ অশৌচ ঃ**

কোনো ব্যক্তিৰ ঘৰত সন্তান জন্ম হ'লে অশৌচ হোৱা বুলি কোৱা হয়। এই অশৌচ কেঁচুৱাৰ নাড়ী সৰালৈকে সৰু চুৱা আৰু পৰবৰ্তী পৰ্যায়ক বৰ চুৱা বুলি কোৱা হয়। সাধাৰণতে ল'ৰা সন্তান হ'লে কুৰিদিনত আৰু ছোৱালী হ'লে এমাহত শুচি কৰাই মাতৃ সন্তানৰ লগতে ঘৰখনৰ পৰাই চুৱা গুছোৱা হয়। জন্ম চুৱাক জীয়া চুৱা বুলিও কোৱা হয়। শুচি বা শুদি সবাহ নোহোৱালৈকে ৰাজহুৱা কোনো মাংগলিক কামত সেই পৰিয়ালটিক কোনো সহযোগিতা কৰিবলৈ দিয়া নহয়। এই শুচি হোৱা নিয়ম হেন্দুৰীয়া আৰু বেহাৰীৰ মাজত সুকীয়া সুকীয়া। হেন্দুৰীয়া সকলে নাম প্ৰসঙ্গ কৰে। বেহাৰীসকলে চোতালতে ভকত বহুৱাই মাহ-প্ৰসাদ দিয়ে, শৰাই পতা নহয়। আশীৰ্বাদ দি শুচি কাৰ্য সম্পন্ন কৰে। ভকতক মদ্যপান কৰোৱায়। সোণোৱালসকলৰ লোক বিশ্বাস অনুসৰি অমৰ আত্মাই ইয়াৰ পূৰ্বতে কাৰ ঘৰত, কোন ধৰ্মত জন্ম লাভ কৰিছিল তাৰ কোনো ঠিকনা নাই; গতিকে নিজ ধৰ্মৰ বিধি অনুসৰি সন্তানক সন্তানক সংস্কাৰ কৰি লোৱাৰ নিয়ম -

কূল ল কূল নদীৰ কূল ল,<br>
সঙ্গ ল জ্ঞাতিৰ সঙ্গ ল,

এনেদৰে কৈ শুচি বা শুদিৰ পৰ্ব সামৰণি মাৰে সন্তানটি কুশলে থাকিবৰ কোনো কোনো অভিভাৱকে, সেইদিনাই ভকতক বেচাৰ নিয়ম প্ৰচলন আছে। ভকতে কেঁচুৱাটিক এটা নাম দি সেই নামেৰে মাতিবলৈ বিধান দিয়ে। ডাঙৰ হ'লে ভকতৰ পৰা গৃহস্থই পুনৰ কিনি লোৱাৰ নিয়ম।

**১.০১.০২ মৃত্যু সংস্কাৰ ঃ**

কোনো ব্যক্তিৰ স্বাভাৱিক মৃত্যু হ'লে শৱ দাহ কৰা ব্যৱস্থা আছে। পূৰ্বতে বয়সস্থ আৰু শৰণীয়া ব্যক্তি হ'লে শৱদাহ কৰাৰ নিয়ম আছিল। সৰগপৰি মৰা, গছে হেতাই মৰা, আপোন ঘাটি হোৱা ব্যক্তি হ'লে শৱ দাহ কৰা নহৈছিল। মৃতকৰ শৱ মাহ-হালধিৰে নোৱাই চাঙীত তোলাৰ নিয়ম। শৱ কঢ়িয়াবলৈ পৰিয়ালত অধিক মানুহ থাকিলেও এজন জ্ঞাতি নহলে শৱ উঠাব নোৱাৰাৰ বিধি প্ৰচলিত। শৱ দাহ কৰা চিতাত সাত জাপ খৰি জপাৰ নিয়ম। প্ৰতি জাপৰ বিপৰীতে তিনিডালকৈ কুকুৰা ঠেঙীয়া খৰি জাপি দিয়াৰ ব্যৱস্থা কৰে। পুত্ৰই মুখাগ্নি কৰাৰ পিছত চিতা জ্বলোৱা হয়। সৎকাৰৰ নিয়মানুসৰি তিনিদিনত তিলনি, দহ দিনত দহা আৰু কুৰি দিন বা এমাহত কাজ কৰাৰ নিয়ম। বিভিন্ন কাৰণত বৰ্তমানে এঘাৰ দিন, বাৰ দিন আৰু তেৰ দিনত আদ্যশ্ৰাদ্ধ পতাৰ ব্যৱস্থা চলি আছে। বেহাৰী পন্থাৰ কোনো কোনোৱে তিলনি আৰু দহা কৰি মূল কাজভাগি ছমাহলৈ ৰাখি থোৱাও দেখা যায়। স্থানভেদে পৰিয়ালৰ কেইবাজনো ব্যক্তিৰ দহা-কাজ একেলগে কৰাৰ নিয়ম আছে। হেন্দুৰীয়াসকলে দহা-কাজ একেলগে কৰাৰ নিয়ম আছে। হেন্দুৰীয়াসকলে দহা-কাজ কৰি নামকীৰ্তন আদিও কৰে। মৃতকৰ আত্মাৰ সদ্যগতিৰ কাৰণে মৃতকৰ ছমহীয়া আৰু বছৰেকীয়া আদিও পালন কৰে।

**১.০১.০৩ বংশ পৰিয়ালৰ পৰিচয় ঃ**

সোণোৱালসকলৰ সামাজিক অনুশাসন ব্যৱস্থাও বংশ পৰিয়ালৰ গুৰুত্ব অধিক। নিজ বংশ বা বংশলতাৰ মাজত কেইবাটাও সঁচ বা পৰিয়াল থাকে। একে বংখলতা বা পৰিয়ালৰ মাজত তেজৰ সম্পৰ্ক থাকে বুলি তেওঁলোকৰ পৰিয়ালৰ বংশলতাৰ মাজত বৈবহিক সম্বন্ধ আদি অতি কঠোৰভাবে নিষিদ্ধ। তেওঁলোকৰ মাজত সাতখন চৈধ্য বংশ আৰু প্ৰতি বংশত পূৰ্বতে চাৰিটা পৰিয়াল ব্যৱস্থা বৃদ্ধি পোৱা দেখা গৈছে। প্ৰচলিত সাতখেলৰ উলেখ এনেদৰে পোৱা যায়। উজনিকুচিয়া, নামনিকুচিয়া, টিনমীয়া, ঢুলীয়াল, আমৰাবমীয়া, আৰু চিৰিপুৰিয়া। বালিখিতিয়াৰি অৱশ্যে সোণোৱাল কছাৰী কৈলাণ সংঘই এতিয়ালৈকে প্ৰথম চাৰিটাকহে স্বীকৃতি

বাকীকেইটাৰ সকলো দিশ পোহৰলৈ অহা নাই। চৈধ্য বংশ হ'ল- মদন, মনিকিয়াল, হুগাল, বৰহাজোৱাল, সৰু হাজোৱাল, ফৰমাল, কুমৰল, এজমাল, ডিডিয়াল, ঢেকিয়াল, চেতিয়াল, আঠুৱাল বৰমাল, আৰু লাঠিয়াল। বৰ্তমান প্ৰচলিত পৰিয়াল ব্যৱস্থাত শতাধিক হৈছেগৈ। পূৰ্বৰ চাৰিটা পৰিয়ালৰ ঠাইত কেইবাটাও বাঢ়ি গৈ ন-দহটালৈ উন্নতি হোৱাও দেখা গৈছে। এক বংশৰ পৰিয়ালসমূহৰ মাজত বিয়াবাৰু হব নোৱাৰে। কেনেবাকৈ অজানিতে হলেও সামাজিক অণুশাসনে ইয়াৰ প্ৰতিবিধান লোৱাৰ নিয়ম। এনে কাযৰ বাবে সমাজচুত কৰাও দেখা যায়। সোণোৱাল সকলৰ পৰিয়াল ব্যৱস্থাৰ প্ৰতি লক্ষ কৰিলে দেখা যায় যে অতীজৰে পৰা এই লোকসকলৰ মাজত যৌথ পৰিয়াল কেন্দ্ৰিক ব্যৱস্থাৰ প্ৰচলন হৈ আহিছে। পৰিয়ালৰ মূল বিয়ক্তি হিচাপে নিতাকৰ স্থান সবাতোকৈ আগত। ঘৰখনত জন্মৰ ওপৰত নিৰ্ভৰ কৰিয়েই জেঠতা নিৰূপণ কৰা হয়। ৰাজহুৱা কাম-বন বা ঘৰখন পৰিচালনাত মূল মণ মানুহজনৰ মত সাপেক্ষে সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেয়ে ঘৰখন মূল ব্যক্তিজনৰ গুৰুত্ব অতি বেছি। পৰিয়াল ব্যৱস্থাৰ প্ৰসংগত বংশ-পৰম্পৰা কথাও কব পাৰি। বংশ পৰম্পৰা জনগোঠিটোৰ ৰক্ষাকৱচ। সোণোৱালসকলৰ মাজত সাতটা খেল, ২৬টা বংশ আৰু ১০৪ টা সঁচ বা পৰিয়াল আছে।

সোণোৱাল কছাৰীসকলৰ ৰীতি-নীতি মতে একোজন আদিম পুৰুষৰ নামৰ পৰাই একোটা বংশৰ নামকৰণ আৰু তাৰ পৰিপুষ্ট সাধন হৈছে। এওঁলোক হালালি গণৰাইজৰ একো একোজন নায়ক। কৰ্ম বিভাগ অনুযায়ী এওলোকক খিতাপ দিয়া হৈছিল। সোণোৱালসকলৰ হাইদাং গীতত স্থান পোৱা ১৪জন এনে প্ৰতাপী প্ৰবাদ পুৰুষৰ নামানুসাৰে ১৪টা মূল বংশ পোৱা যায়।

মন্ত্ৰী ঃ মদন- আফা- মদনফাৰ- মদনীয়াল বংশ।

ৰাজপুৰোহিত ঃ মানিক-আফা- মানিকফাৰ- মনিকিয়াল- বংশ।

পালিৰজা বা যুৱৰাজ ঃ মুক্তা- আফা- মুক্তাফাৰ- মুক্তাল বংশ।

সেনাপতি ঃ বৰহজং-আফা- বৰহাজংফাৰ-বৰহাজোৱাল-বংশ

পালি সেনাপতি ঃ সৰজং-আফা- সৰুহাজংফাৰ- সৰুজোৱাল বংশ।

দেৱদাৰৰ দুৱৰী ঃ ফাৰমা- আফা- ফৰমাফাৰ-ফৰমাল বংশ।

থাল সেনাপতি (যুঁজাৰু) ঃ এজাম- আফা- এজামফাৰ- এজমাল (এহমাল) বংশ।

নৌ সেনাপতি (যুঁজাৰু) ঃ ডিড-আফা- ডিডফাৰ- ডিডালষ্ঠ (ডিডিয়াল) বংশ।

অন্তভাগৰ চোৱাংচোৱা ঃ ঢেঁকাৰি- আফাষ্ঠ ঢেঁকাৰিফাৰ- ঢেকিয়াল বংশ।

বহিভাগৰ চোৱাংচোৱা ঃ চটিও-আফা- চটিওফাৰ- চটিয়াল- বংশ।

সৰৱজান ঃ বৰম- আফা - বৰমাফাৰ- বৰমাল- (আঠোৱাল) বংশ।

হিলৈভাৰি বা চিকাৰীভাৰী ঃ লাথং-আফা- লঠিংফাৰ- লঠিয়াল বংশ।

উক্ত মূল ১৪ টা বংশৰ উপৰি আন ১২টা বংশ পোৱা যায়। সেই বংশকেইটাৰ ইতিবৃত্ত এনেধৰণৰ- কিৰাত জনগোষ্ঠীৰ পূৰ্বলিখিত ১২টা ফৈদৰ উপৰি সম্ভবতঃ অন্য ফৈদৰ লোকেও প্ৰবজন কৰি আহি ভাৰতৰ পূব প্ৰান্তত বাস কৰিছিলহি। সেই লোকসকলৰ লগত কিৰাত জনগোষ্ঠীৰ ১২টা ফৈদৰ বৈবাহিক সম্বন্ধ স্থাপন হৈছিল। বৈবাহিক সম্বন্ধৰ পাছত ৰক্তগত সম্পৰ্কৰ চিষ্টি হৈছিল। ইয়াৰ লগে লগে ধৰ্মীয় কায-কলাপৰ জৰিয়তে জাতি- গঠন প্ৰক্ৰিয়াও সুদঢ হৈ পৰিছিল। ক্ৰমান্বয়ে এইসকল লোক আন আন ফৈদত মিলি যোৱাৰ দৰে সোণোৱাল কছাৰীসকলৰ স্বকীয় ৰীতি- নীতি বিলীন হৈ পৰিছিল। তদুপৰি বডহই (বড়ো-কছাৰী) ডমচাই (ডিমাছা কছাৰী) এই দুই কিৰত গোষ্ঠীৰ লোকো বডলই (সোণোৱাল কছাৰী) ৰ মাজত সেই সময়ত একেলগে ৰৈ গৈছিল। ফলস্বৰূপে সোণোৱাল কছাৰীসকলৰ মাজত মিশ্ৰিত জনগাথনি অনুসৰি আৰু

কিছুমান নতুন বংশৰ সৃষ্টি হয় —

মুখৰা- আফা-মুখাফাৰ-মুখৰাল বংশ।

শুক্ৰ-আফা-শুক্ৰফাৰ-হকৰাল বংশ।

ডক্ৰং-আফা-ডেক্ৰংফাৰ-ডেক্ৰংল বংশ।

দলং-আফা-দলডফাৰ-দলডীয়াল বংশ।

চুলিং-আফা-চুনীয়াফাৰ-চুনীয়াল বংশ।

হকু-আফা-হাকুৰাফাৰ-হাকোৰাল বংশ।

দাংৰা-আফা-দাংৰাফাৰ-দংৰাল বংশ।

চুংগী- আফা- চুংগিফাৰ- চুংগীয়াল বংশ।

ঢলাং- আফা- ঢলাংফাৰ- ঢলীয়াল বংশ।

ধাদুং-আফা- ধাদুংফাৰ- ধাদুমীয়াল বংশ।

ঠেঙা-আফা-ঠেঙাফাৰ- ঠেঙাল বংশ।

সোণোৱাল কছাৰীসকলৰ বংশৰ নাম বুজোৱা শব্দবিলাকৰ মূল উৎস হল সোণোৱাল কছৰীসকলৰ জনগোষঠীয় শব্দসম্ভাৰ। উলেখিত (আফা) শব্দৰ 'ফা', 'ফাৰ' অসমীয়া অৰ্থ হল পিতা অৰ্থাৎ পিতৃ। মুঠ কথাত সোণোৱাল কছৰীসকলৰ বংশসমূহ পিতৃপ্ৰধান হোৱাৰ বাবে 'আফা', 'ফা'ৰ পৰা নামকৰণ হৈছে।

**১.০১.০৪ সঁচ বা পৰিয়াল ঃ**

সোণোৱালসকলৰ একোটা বংশৰ ৰুক্তজাত সম্পৰ্ক সঁচ বা পৰিয়াল সমূহকএকোটা বংশৰ বংশৰ লতা বুলিও কোৱা হয়। ই পিতৃ বংশৰ সন্তান স্বৰূপ। একোটা বংশৰ ভিতৰুৱা সঁচ বা পৰিয়াল সমূহৰ মাজত বৈবহিক সম্বন্ধ নিষিদ্ধ। চাৰিটাকৈ সঁচ বা পৰিয়ালৰ সমষ্টিৰে গঠন হোৱা এনে অন্তঃ বংশসমূহৰ বংশলতাসমূহ হল-লক্ষণমাৰী, গুইৰী, পঠাৰী, ডাকুলি, বাগলাৰী, গাৰখৰি, বালিখিতিয়াৰি, বাইথৰি, আখোৱাৰী, মাক্ৰৰী, মূথলী, গেজেপী, শগুণমুৰাৰি, ধাকনাৰী, ডেকাৰি, ওঝাৰী, খনীৰি, লগোৱাৰী, গেলেপী, হুকলী, খটাৰী, খাটোৱালী, জাৰলগাৰী, মেনাৰী, চেলেঙী, তাঙিৰী,নেজকটাৰী, ফাটোৱালী, পেদাৰী, ফালাৰী, শগুণমাৰী, লানিত্ৰী, মুকুদুমী, চৰুৰী, তুহুৰী, তেপাৰী, এজলাৰী, ঝিডিৰী, লাৰাডী, অকলশৰিয়াৰী, কোমৰাৰী, ঢৰলী, পিউৰাৰী, মেৰাৰী, বাউলাৰী,বৰগিয়াৰী, তিতাৰী, কেকুৰাৰী, গাঠিৰী, দৈমাৰী, তোৰকিৰী, কলাৰী, লিকামিৰি, হাগুমীৰি, দুলুৰী, দাফলাৰী, কেওতাৰী, ব্ৰঘী, বৰঘিয়াৰী, বৈটাৰী, হাটখোৱাৰী, তাৰাৰী, কেদালী, খেপৰাৰী, সৰু মাঝিৰী , ঢেকীয়ালী, মুখৰাৰী,কানভড়াৰি, যুঙিয়াৰী, নিকাৰী, যোটাৰী, লুকুৰী, নকৰী, গেবাৰী, ঢকুৱালী, কলাখোৱাৰী, ডেকৰনুৱাৰী, হাজাৰী, মেগলাৰী, বুহামুদৰী, বাই- লুঙৰী, ঝানৰাৰী, আগাৰী, বুনিয়াৰী, টিপমীয়াৰী, শদিয়াৰী ঘেৰাৰী,পলাসী, ধেজুয়াৰী, দেমখাৰী, লেহোৰী, মাটিয়াৰী, ধাদুমিয়াৰী, গডঞ্জপৰাৰী, চৈতাৰী, বাঁহবৰীয়াৰী, চৰাইমাৰী, কেনাৰী, লেধাৰী, স্বগীয়াৰি, তেজীয়াৰী, ঘূনাৰী, ফুটকাৰী।

**১.০১.০৫ বিচাৰ ব্যৱস্থা ঃ**

সোণোৱাল কছাৰী জনগোষ্ঠীটোৰ মাজত নিজস্ব বিচাৰ ব্যৱস্থা আছে। সামাজিক বিচাৰত দোষীক খুটিমৰা প্ৰথা বা সমাজ পৰা এঘৰীয়া কৰা অপৰাধীক দণ্ড- বিহা, শৰনাগত হোৱা আদি প্ৰথা প্ৰচলিত। সাধাৰণতে নামঘৰত বিচাৰ কৰা হয়। তদুপৰি নামঘৰত ভাগৰত স্থাপন কৰি বিচাৰ কাৰ্য চলোৱা হয়। সমাজৰ কোনো কোনোৱে এনে অপৰাধ কৰিলে সমাজে তেওঁলোকক এঘৰীয়া কৰে। পৰিয়াল লোকে ত্যেজ্য পুত্ৰ কৰি চৰু-কেৰাহী ধুই চোৱা পেলাই শুচি হয়।

**১.০১.০৬ জন্ম-বিবাহ-মৃত্যু সম্পৰ্কীয় ৰীতি-নীতি ঃ**

জন্ম-বিবাহ-মৃত্যু মানৱ জীৱনৰ চিৰন্তন প্ৰক্ৰিয়া। পুৰুষ নাৰীৰ মিলন তথা যুগ্ম জন্ম জীৱনৰ ফলত সন্তানৰ জন্ম হয়। সেই সন্তান ডাঙৰ দীঘল হোৱাৰ পাছত বিবাহৰ জৰিয়তে জীৱনসংগী নিবাচন কৰি বৈবাহিক জীৱনৰ পাতনি মেলে। লাহে লাহে সংসাৰ বৃদ্ধি হয় আৰু এদিন নশ্বৰ দেহ ত্যাগ কৰে।

**১.০১.০৬ জন্ম ঃ**

সোণোৱাল কছাৰীসকলৰ জন্মৰ ক্ষেত্ৰত দেখা যায় যে নাৰী এগৰাকী গৰ্ভধাৰণ কৰা নমাহ হলে সোণোৱাল সমাজ প্ৰস্তুতি সবাহ পতা হয়। সুপ্ৰসৱ কামনা কৰি নিমন্ত্ৰিত চুবুৰীয়া গোনিনীসকলে পিঠাগুৰিৰে পিঠা তৈয়াৰ কৰি গ্ৰহণ কৰাৰ পাছত গৰ্ভৱতী নাৰীগৰাকীক আশীৰ্বাদ দিয়ে। তদুপৰি সন্তান জন্ম হলে ঘৰত জীয়া চুৱা লগে বুলি বিশ্বাস কৰা হয়। সেয়ে সন্তান জন্ম হোৱা সাত বা এঘাৰ দিনত শুধি সকাম পাতে। শুধিৰ দিনা কলাপাতত এগছি বন্তি জুলোৱা হয়। গোবৰ, চাউল, পইচা, দুবৰি আৰু সন্তানৰ চেৰা চুলি খুৰাই গোবৰৰ এটা চপৰা ঘূৰনীয়া পিঠাৰ দৰে বনাই লগত তামোল দুখন আৰু ধনুকাৰ এখন যুক্তকৰি বেৰত লিপিত খাই থকাকৈ মাৰি থয়।

## দ্বিতীয় অধ্যায়

### ২.০০ সোণোৱাল কছাৰীসকলৰ সামাজিক আচাৰ-অনুষ্ঠান ঃ

মানুহে দৈনন্দিন জীৱনত যি ক্ৰিয়া-কৰ্ম সম্পাদন কৰে তাৰে পৰিমাৰ্জিত ৰূপেই হল সংকৃতি। সেই সংকৃতি একোটা জাতিৰ, জনগোষ্ঠীৰ, সম্প্ৰদায়ৰ সামূহিক আচৰণ ভিত্তিত গহ লৈ উঠিব পাৰে। সোণোৱালসকলেও সমাজ পাতি বাস কৰা বাবে কৰা তেওঁলোকৰ মাজত কিছুমান সামূহিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ গহ লৈ উঠিছে। সোণোৱাল সকলে বিভিন্ন কাৰণত স্বকীয় ৰাজ্য হেৰুৱাইছে যদিও গাঁওৰূপী সৰু সৰু গোটসমূহ বৰ্তি থাকিল আৰু সেইবিলাকেহে ঐক্য আৰু সংহতি ৰখা কৰি সোণোৱাল কছাৰীৰ জাতীয় সংস্কৃতিক জীয়াই ৰাখিলে। এই গাঁওৰূপী গণতান্ত্ৰিক গোটবিলাকে ৰক্ষা কৰি থকা সমাজ সংস্কৃতিয়ে প্ৰকৃতাৰ্থত সোণোৱাল কছাৰীসকলৰ স্বকীয়তা বজাই ৰাখিছে। বৰ্তমান চহৰ নিবাসী সোণোৱালসকলেও নিজৰ অস্তিত্ব বজাই ৰখাৰ ক্ষেত্ৰত সচেতন হৈ পৰটো পৰিলক্ষিত হয়।

### ২.০১ ধৰ্ম ঃ

ধৰ্ম সমাজ-সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ দিশ। সোণোৱাল কছাৰী সমাজ সংস্কৃতিৰ প্ৰতি দৃষ্টি দিলেও দেখা যায় যে ধৰ্মক কেন্দ্ৰ কৰি সোণোৱাল সমাজত বহুত ৰীতি-নীতি, আচাৰ-অনুষ্ঠান গঢ় লৈ উঠিছে - যিবোৰ সোণোৱাল কছাৰী সংস্কৃতিক সমৃদ্ধি প্ৰদান কৰে।

সোণোৱালসকল আদিতে কৈৰাত ধৰ্মাৱলম্বী আছিল। এই ধৰ্মত শিৱ আৰু পাৰ্বতীক উপাস্য দেৱ-দেৱী হিচাপে গ্ৰহণ কৰা হয়। ধৰ্মৰ নাম অনুযায়ী শিৱক কিৰাত আৰু পাৰ্বতীক কিৰাতী বুলিও কোৱা হয়। এই ধৰ্মত দেৱ-দেৱীৰ আৰাধনাত ব্ৰাহ্মণ পুৰোহিতৰ স্থান নাই। ইয়াৰ ব্ৰহ্মচৰ্য পালন কৰাৰ নীতি-নিয়ম আৰু মাছ-মাংস ত্যাগ কৰি নিৰামিষ ভোজন কৰাৰ নিয়ম নাই। বৰঞ্চ শিৱৰ আন এটা ৰূপ 'বাইথ' দেৱতাৰ পূজাত বলি বিধান দিয়াৰহে নিয়ম আছে। এই হাঁহ-পাৰ, মাছ-কাছ, গাহৰি আদি খাব পাৰি। সংসৰ্গ দোষ নাই। অৰ্থাৎ জাতি-ধৰ্ম নিৰ্বিশেষে বিয়া বাৰু পতাৰ ব্যৱস্থা আছে। এই ধৰ্মই মূৰ্তিবাদ সমৰ্থন নকৰে। সেয়ে সোণোৱালসকলৰ মাজত মূৰ্তি পূজাৰ প্ৰচলন দেখিবলৈ পোৱা নাযায়। তেওঁলোকে পূজা পাতল কৰা নিৰ্দিষ্ট ঠাইডোখৰক থান বুলি কৈছিল। বৰ্তমানেও থান বুলিয়ে কয়।

কছাৰী সকলে শিৱই লৈ থকা সৰু ডম্বৰুটোক মাঢোল বুলি কয়। পাছলৈ ডম্বৰু ৰূপী মাঢোলৰ ডাঙৰ আকৃতিৰ সংস্কৰণটোৰ মাদল বুলি ক'বলৈ ধৰে। মাদল, ঢোল আৰু বাঁহী শিৱ পূজাৰ অপৰিহাৰ্য বাদ্য। ইয়াত মহাপ্ৰলয় নিত্য কৰা হয়। শিৱই নিজৰ তাণ্ডৱ নিত্যৰ যোগেদিয়েই জয় (প্ৰকৃতি) আৰু জীৱ (পুৰুষ) জগতত তেওঁৰ চৈতন্য ৰূপৰ মহাশক্তি প্ৰক্ষেপ কৰে। সেয়ে তেওঁৰ আন এটা নাম নটৰাজ। প্ৰকৃততে কৈৰাত ধৰ্মৰ মূল গুৰীয়ে হ'ল শিৱ নিত্য। সোণোৱালসকলে সৃষ্টিতত্ত্বৰ ৰহস্য নিহিত হৈ থকা হায়দাং নিত্য এই নিত্য শিৱৰ নিত্যৰ লগত সংপৃক্ত।

এয়া হ'ল ১২ শতিকা লৈকে প্ৰচলিত সোণোৱালসকলৰ ধৰ্ম ব্যৱস্থা। ১২ শতিকাৰ পাছৰ পৰা সোণোৱালসকলৰ ধৰ্মৰ ওপৰৰ আৰ্যসকলৰ হিন্দু ধৰ্মই আয়াত হানে। গণৰাজ্য পাতি কাম কৰি থকা মানুহবোৰৰ মূলতঃ ৰাজনৈতিক কাৰণত বিচ্ছিন্ন হৈ নানান ঠাইত সিঁচৰিত হৈ পৰে। ফলস্বৰূপে ধৰ্মীয় বিধি-ব্যৱস্থাত শিথিলতা আহে। ১৬৮২ খ্ৰীষ্টাব্দত শ্ৰী শ্ৰী আউনীআটীৰ সত্ৰাধিকাৰ কেশৱদেৱ মহন্তৰ ওচৰত শদিয়াত সোণোৱাল কছাৰীসকলে শৰণ লোৱাৰ পাছৰ পৰা তেওঁলোকৰ ধৰ্ম ব্যৱস্থা দুপৰীয়া হৈ পৰে। হিন্দু ধৰ্মৰ নিয়মানুসৰি নামঘৰ, সত্ৰ স্থাপন কৰি এহাতে নাম-কীৰ্তন চৰ্চা কৰে আৰু আনহাতে কৈৰাত ধৰ্মানুষ্ঠান

'খ্রীং খ্রীং বাইথ' পূজা আদিও পালন কৰে। ফাগুন মাহৰ শুক্ল পক্ষৰ প্ৰথম সোমবাৰত 'বাইথ' পূজা পতা হয়। ই দৌল উৎসৱৰ ওচৰা ওচৰিকৈ হ'ব পাৰে। কিন্তু মহা শিৱৰাত্ৰিৰ আগত কেতিয়াও 'বাইথ' পূজা পতা নহয়। বলি বিধানৰ প্ৰচলন থকা এই পূজা মাদক শান্তিজল হিচাপে গ্ৰহণ কৰা হয়।

সোণোৱালসকলে 'বাইথ' তথা শিৱৰ প্ৰধান শিষ্য গজাইকো গুৰু মানি সদায় পূজা কৰি আহিছে। গজায়ে 'বাইথ'ক পোনপ্ৰথমে হাবিৰ পৰা উলিয়াই আনি পূজাৰ দিহা কৰে। সেইবাবে বাইথ'দেৱতাক পূজাৰ আগতে গজাই গুৰুক পুজিলেহে বাইথ সন্তুষ্ট হয় বুলি ভাবি মানৱৰূপি গজাইক পূজা দিয়া হয়। ইয়াৰ উপৰি বুঢ়া-বুঢ়ী, কেঁটাইখাৰী থান অম্ৰেশ্বৰি আদিৰ পূজা সোণোৱালসকলে কৰে। এই সকলো শৈৱ প্ৰথাৰ লগত জড়িত। তদুপৰি গায়ন-বায়নকে ধৰি হিন্দু ধৰ্মৰ বিভিন্ন দেৱ-দেৱীৰ পূজাও এওঁলোকে পালন কৰি আহিছে। অনাহটে নৱ-বৈষ্ণৱ ধৰ্মকো গ্ৰহণ কৰিছে।

**২.০২ কৃষি ঃ**

সোণোৱাল কছাৰী সকলৰ মূল জীৱিকা হ'ল কৃষিকৰ্ম। আধুনিক শিক্ষা ব্যৱস্থাৰ ফলত বহু সংখ্যক লোক চাকৰি-জীৱী হৈছে আৰু ব্যৱসায়-বাণিজ্য লগতো কিছু সংখ্যক লোক জড়িত হৈছে যদিও গ্ৰাম্যঞ্চলৰ বাস কৰা প্ৰায় সংখ্যক লোকেই কৃষি কৰ্ম লগত জড়িত। কৃষিজীৱিসকলে ধান খেতিৰ লগতে ৰবিশস্যৰ খেতিও কৰে। বৰ্তমান কিছুমানে চাহ খেতিক জীৱিকা হিচাপে গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

সোণোৱালসকলে বিভিন্ন জাতৰ ধান খেতি কৰে। মাটিৰ পৰিমাণ কম থকা লোকে সাধাৰণতে আহু আৰু শালি খেতি কৰে। উল্লেখ্য যে আহুধানৰ খেতি কৰিলে শাওন আৰু ভাদ মাহত সেই ধান দাই পুনৰ একডোখৰ মাটিতে শালি ধানৰ খেতি কৰিব পাৰি। তেতিয়া ধানৰ উৎপাদন বৃদ্ধি পায় আৰু খাদ্যৰ নাটনিৰ পৰা ৰক্ষা পৰে। কিন্তু শালি ধানৰ খেতি বছৰত এবাৰহে কৰিব পাৰি। শালি ধানৰ খেতিত সুৱাগমনি, মা বিভিন্ন জাতৰ বৰা (কাতি বৰা), ভিন্ন জাতিৰ জহা (কণজহা ইত্যাদি) শালপনা, নেকেৰা, বগীলাহি, জাহিঙা, আহোম শালি, বাটকপাহি, মানুহৰ শালি, ঝিঙনি, কৰশালি, বাওঁ ধান (ভূঁই ৰুব নোৱাৰা দ আৰু পানীৰ সোঁত থকা খেতি পথাৰৰ এই ধান সিচি দিয়া হয়, ইয়াৰ গা-গছ তুলনামূলকভাৱে ডাঙৰ আৰু পানীত টিকি থাকিব পাৰে) আদি উল্লখযোগ্য। বৰ্তমান কৃষি প্ৰযুক্তিৰ সহায়ত সৃষ্ট উন্নত জাতৰ ৰঞ্জিত, বাহাদুৰ, পংকজ, বাচ আদি বৰ্ণসংকৰ ধানৰ খেতিও কৰে। তেনেদৰে আলু, কচু, সৰিয়হ, বেঙেনা, জলকীয়া ইত্যাদি নানান ৰবি শস্যৰ খেতি কৰি নিজে খোৱাৰ উপৰিও বিক্ৰী কৰি দুই পইছাৰ অৰ্জন কৰে।

সোণোৱাল কৃষীসকলৰ দুটা দিন বিশেষভাৱে উল্লেখযোগ্য। সেয়া হ'ল প্ৰথম ভূঁই ৰুৱা দিনটো ন ভূঁই দিন বুলি কোৱা হয়। আৰু দ্বিতীয়তে পথাৰৰ পৰা ধান চপোৱাৰ শেষ দিনটো যাক লখিমী অনাৰ দিন বুলি কোৱা হয়। পথাৰত ন ভূঁই ৰুবৰ দিনা পূব দিশত পথাৰ আলীৰ কাষত কচুপুলি এটা তৰা গছ এজোপা ৰুই তৰা গছৰ পাতৰ গুৰিত কপাহ গুজী দিয়ে। মাটিমাহ, চাউল, লেতেকো, পনিয়ল, হেলচ গুটি, পান তামোল এযোৰ আৰু বন্তি এগছি জ্বলাই পথাৰ শস্যৰে নদন-বদন হৈ উঠিবৰ কাৰণে প্ৰাৰ্থনা কৰি ৰুবলৈ আৰম্ভ কৰা হয়। সেইদিনা সাধাৰণতে হাউৰি মতা হয়। ৰুৱনি হালোৱা সকলোকে হাঁহ বা কুকুৰাৰ মাংসৰ হৈতে চেৰা দিয়া বৰা ভাত (ভাপত সিজোৱা) আৰু মাটিমাহৰ দাইল, চাউলৰ পৰা বনুৱা মদ খাবলৈ দিয়া হয়। তেনেদৰে লখিমী অনা দিনটোৰ কথা কব পাৰি। সেইদিনা তিনিজুপা ধান গছ একেলগে আগতীয়াকৈ বান্ধি থোৱা হয়। বাকী ধান দাই শেষ হোৱাৰ পাছত বান্ধি থোৱা ধান গছ তিনিজুপাৰ গুৰিত চাকি এগছি জ্বলাই একেলগে দাই এটা মুঠি বান্ধি বা গছকেই জোনা সম্পূৰ্ণৰূপে উভালি কান্ধত লোৱা ধানৰ ডাঙৰী বা মূৰত উঠাই বগা কাপোৰেৰে ঢাকি ঘৰলৈ অনা হয়। ইয়াকে লখিমী অনা বোলে। ঘৰ আহি পোৱাত ভঁৰালৰ

মুখত ঘৰৰে এজনে লখিমী অনাজৰ ভৰি ধুৱাই দিয়াৰ পাছত এনেএজনে একেবাৰে ভঁৰালৰ ভিতৰৰ নিৰ্দিষ্ট ঠাই এডোখৰত লখিমী থৈ আহেগৈ আৰু তাত চাকি বন্তি জ্বলাই থোৱা হয়। উল্লেখ্য যে পথাৰৰ পৰা ঘৰলৈ লখিমী আনহাতে বাটত আনোতা জনা মুখেৰে মাত মতা আৰু ইফালে সিফালে চোৱা নিষেধ। কোনো কোনোৱে মুখ ঢাকি লয়। নহলে লখিমী আঁতৰি যায় বুলি বিশ্বাস কৰা হয়। এই দুয়োটা কামতে পুৰুষ তিৰোতা উভয়ে অংশগ্ৰহণ কৰিব পাৰে আৰু দুয়োটা দিনতে ধান বিক্ৰী কৰা হয়।, টকা পইচা বা যিকোনো সামগ্ৰী আনক দিয়াটোও নিষেধ।

**২.০৩ গৃহনিৰ্মালি প্ৰণালী ঃ**

সামাজিক প্ৰাণী হিচাপে সোণোৱাল কছাৰীসকলে সমাজ পাতি বাস কৰিবলৈ লোৱাৰ পৰা নিজ নিজ বাসস্থান ভৌগলিক পৰিবেশ আৰু প্ৰাকৃতিক সম্পদৰ ভিত্তিত ঠিক কৰি লৈছিল। পৰিপাতিকৈ এখন ঘৰ সাজি বাৰি পাতি জীৱন নিৰ্বাহ কৰাটো সোণোৱালসকলৰ চিৰন্তন প্ৰথা। তেওঁলোকৰ আদিমতম হাইডাং হুচৰি গীতত গৃহ নিৰ্মাণ স্পষ্ট আভাস পোৱা যায় -

পূবে ভঁৰাল
পশ্চিমে গঁৰাল
উত্তৰে চৰু।
দক্ষিণে গৰু।।

অৰ্থাৎ পূব দিশে শস্যৰ ভঁৰাল, পশ্চিম দিশে হাঁহ-পাৰ, কুকুৰাৰ গঁৰাল, ছাগলীৰ গঁৰাল, গাহৰিৰ গঁৰাল, উত্তৰ দিশত মজিয়া অৰ্থাৎ ভাত ৰন্ধা কোঠা আৰু দক্ষিণ দিশত গৰুৰ গোহালি নিৰ্মাণ সোণোৱাল কছাৰী সকলৰ গ্ৰাম্য জীৱনৰ অন্যতম বৈশিষ্ট। তদুপৰি ঘৰৰ চাৰিওফালে নলা খান্দি তাৰ কাষত জেওৰা দি সোঁমাজত ঘৰ সজাৰ নিয়ম প্ৰচলিত। তাৰ চাৰিওফালে উল্লেখিত ভঁৰাল, গঁৰাল, গোহালি থাকে। সাধাৰণতে বৰঘৰটো পুবমুৱাকৈ আৰু মাৰলঘৰটো উত্তৰ-দক্ষিণ কৈ সাজে। বৰঘৰৰ পূবত উত্তৰ দিশত ভাত ৰন্ধা মজীয়াঘৰ থাকে। ঘৰটোৰ সন্মুখত এখন চোতাল থাকে। এই চোতাল ফালৰ পৰা মাৰলঘৰত সোমোৱা এখন দুৱাৰ থাকে। জুইশাল এখনো থাকে। চাহ জলপান আদি জুইশালতে কৰা হয়, ঠাণ্ডা দিনত জুইৰ সেক লোৱা হয়। এই জুইশালখন মাৰল ঘৰত থাকে। মাৰলঘৰটো আলহী অতিথি আহিলে বহা বা আদৰ আপ্যায়নৰ বাবে ৰাখে। সোণোৱাল সকলৰ মজিয়াত বা পাকঘৰত প্ৰৱেশ নিষেধ। শৰণ লোৱা সকলে আৰু বিবাহিত নাৰী বা পুস্পিতা ছোৱালীয়ে গা নুধুৱাকৈ সোমাব নাপায়। মাৰলঘৰৰ পৰা মজিয়া বা পাকঘৰলৈ অহা যোৱা কৰা এটা দীঘল বাট থাকে। ইয়াক দীঘলী বাট বোলে। ঘৰৰ দুৱাৰসমূহ পূৱা পশ্চিমকৈ আৰু খিৰকীসমূহ উত্তৰা দক্ষিণাকৈ ৰখা হয়।

গৃহ নিৰ্মাণ কাৰ্যত সোণোৱাল সকলে বৰ-খুত, পালি খুটা, মুধচ খুটা, চতি, ফুল চতি, মাৰলী, দমৰা, কেঞ্চি, ৰুৱা, মতা ৰুৱা, বেৰ, কামি, ককিলা বা জেঠী আদি গছ বাঁহৰ পৰা তৈয়াৰ কৰি লোৱা কাঠ বাঁহৰ সামগ্ৰী ব্যৱহাৰ কৰে। চলিৰ বাবে উল খেৰ, শৰণ খেৰ, ব্যৱহাৰ কৰে। খেৰৰ সলনি নৰা ব্যৱহাৰ কৰাও দেখা যায়। বৰ্তমান খেৰ বাঁহৰ নাটনিৰ বাবে টিনপাতৰ চালিঘৰ আৰু অৰ্থনৈতিকভাবে টনকিয়াল সকলে পকী ঘৰ সাজি বাস কৰে।

**২.০৪ বসবাস প্ৰণালী ঃ**

প্ৰাকৃতিক আৰু বিভিন্ন পক্ষৰ সতে যুদ্ধ বিগ্ৰহ কৰি সোণোৱাল সকলৰ একাংশই শদিয়াৰ পৰা আহি

তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ যোৰহাট আৰু গোলাঘাট জিলা।

সোণোৱাল কছাৰী সকলে পূৰ্বতে মংগোলীয় হিচাপে অসমত প্ৰৱেশ কৰিছিল। তেওঁলোকে প্ৰথমে জড়ো পাষক আছিল। কালক্ৰমত তেওঁলোকক কিৰাত ধৰ্ম গ্ৰহণ কৰি খেতি বাতি আৰু যাতায়তৰ সুবিথাৰ্থে নদী বা পৰ্বতৰ দাতিৰ কাষৰীয়া ঠাইত বাস কৰাৰ কাৰণে নদী কাষৰীয়া অৰ্থাৎ কক্ষাত-কচ্ছাত-কচ্ছৰ লগত অৰি যোগ হৈ কচ্ছাৰী নামৰ উৎপত্তি বুলি পণ্ডিতসকলে মত কৰিছে। ড° সুনীতি কুমাৰ চাট্যাৰ্জি (চটোপধ্যায়) ৰ মতে কছাৰী সকলে প্ৰৱজন কৰি আহি প্ৰথমে কুশী নদীৰ পাৰত বসবাস কৰাৰ কাৰণে তেওঁলোক কুশীমাৰা আৰু অঞ্চলটোক কুশাৰীয়াৰ বা কুশীয়াৰ-কুশাৰ বা কাশাৰ-কুশাৰী বা কছাৰী বুলি কৈছে। এই জনগোষ্ঠীটোৱে যিবিলাক নদ-নদীৰ পাৰত বাস কৰিছিল সেইবিলাক নদ-নদীৰ আগত দি বা টি আখৰযুক্ত ব্যৱহাৰ কৰি নিজে নিজেই নদীৰ নাম দিছিল। সেইবিলাকৰ ভিতৰত দিহিং দিচাং ডিব্ৰু, দৈয়াং, দিখৌ, দিগাৰু, দিছৈ, ডাঙৰী, ডুমডুমা, দিৰাক, দিখাৰী, দিক্ৰিং, দিল্লিহৰ আদিয়ে প্ৰধান।

**২.০৫ বিবাহ ব্যৱহা ঃ**

আন আন জাতিৰ দৰে সোণোৱাল কছাৰী সমাজৰো উলহ-মালহেৰে বিবাহ অনুষ্ঠান পতা দেখা যায়। বিবাহ অনুষ্ঠান হৈছে মাংগলিক কাৰ্য। ই জীৱনৰ অন্যতম অংগ। সোণোৱাল কছাৰী সমাজত বিয়া পতাৰ ক্ষেত্ৰত বহুতো সাৱধানতা অৱলম্বন কৰা দেখা যায়। বিয়াৰ সময়ত কন্যা ঘৰ বা দৰা ঘৰতেই হওঁক সন্তান জন্ম হলে বা কোনো ব্যক্তিৰ মৃত্যু হলে তোন অসুচি অৱস্থাত বিয়া অনুষ্ঠান নকৰি পিছুৱাই দিয়া হয়। সোণোৱাল কছাৰী সমাজ একে বংশ পৰিয়ালৰ মাজত বিয়া বাৰু পতাটো সম্পূৰ্ণ নীতি বিৰোধী বুলি গন্য কৰা হয়।

সোণোৱাল কছাৰী সমাজত প্ৰধানকৈ দুটা পদ্ধতিৰ বিবাহ দেখিবলৈ পোৱা যায়। এক হল - কন্যা কালৰ বিয়া বা তুলনী বিয়া আৰু আনবিধ হল বৰ বিয়া। তলত এই দুবিধ বিবাহ পদ্ধতিৰ সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

**২.০৬ শান্তি বিয়া বা নোৱাই তোলনী বিয়া ঃ**

সংস্কৃতিৰ পথাৰত তুলনী বিয়াৰ এক উল্লেখনীয় ভূমিকা আছে। তোলনী বিয়াত ছোৱালী এজনী কিশোৰী অৱস্থাৰ পৰা গাভৰু হোৱাৰ লগে লগে বিভিন্ন নীতি-নিয়ম পৰম্পৰাগত ভাৱে পালন কৰা হয়। ছোৱালী এজনী পুষ্পিতা হোৱাৰ লগে লগে গোপিনী আইসকলক মাতি আনি আগলি কলপাত দুখন আৰু তামোল-পাণ, দাব কটাৰী, আৰ-কাপোৰ দি উৰুলিৰ মঙ্গল ধ্বনিৰে গোপিনি সকলে চকুত মাটিত পাটী পাৰি থাকিবলৈ দিয়ে। আজিকালি সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিচনাতে থাকিবলৈ দিয়া হয়। গোপিনী সকলে এনেদৰে নিয়ম কৰি থাকিব দিয়াকে ‘চুকত সুমুৱা’ বুলি কোৱা হয়।

এনেদৰে পুৰুষ মানুহে নেদেখাকৈ আচুতিয়াকৈ গৰু, ছাগলী আদি নোচোৱাকৈ তিনিদিন চকুত ৰখা হয়। ফল- মূল, কেঁচা জাতীয় খাদ্য খাবলৈ দিয়ে। আৰু গধূলি সৰু সৰু ছোৱালী সকলক কইনা ৰাখিবলৈ আহে। কিছুমান লোক কথা আছে যে পুপিতা হোৱা ছোৱালী জনী যদি কোনো এনেধৰণৰ লোককথা আছে। মগলতিৰ ওচৰত মঙ্গল চোৱা হয়। বিয়াৰ দিন বাৰ, কি যুগ পৰিছে, বিয়া ন-দিনীয়া নে আঘৰ দিনীয়া নে সতদিনীয়া নিৰিখ বিয়াৰ দিন ধাৰ্য কৰি দান দক্ষিণা, আদিৰ সকলো বিধান দিয়ে। কিবা গ্ৰহ দোষ, কলদোষ, থাকিলে নিৰাময়ৰ বাবে ব্ৰত থাকিবলৈ পৰামৰ্শ দিয়ে। তিনিদিনৰ দিনা কইনাৰ মূৰত তেল দিয়া হয়। এনেদৰে

গছেৰে বেইৰ আকৃতি সাজি দিয়া হয়।

চাৰিদিনৰ পৰাই কইনাই এসাজ ভাত খাই থাকিব লগে। মাক, খুৰিয়েক পেহিয়েক বৰমাক বয়সস্থ আইতা ওচৰ চুবুৰীয়া লগ হৈ তামূলী পীৰাত বহি গা ধুৱায়। কইনা ৰখা কোঠাটো এগচী মিঠাতেলৰ চাকি জ্বলাই দুলনীত চাউল , এটা ঘটত আমডাল, সেন্দুৰ ফোঁট আৰু ঘটৰ ডিঙিত এৰা সূতা মেৰিয়াই দিয়া হয়। আনহাতে চাউলৰ দুলনিত এখন গামোচাত চুলি বা দুবৰি কেইডালমান, আৰৈ চাউল, আৰু তামোলৰ আঙনিত সোণ আৰু পোৱালমনি এধাৰি পিন্ধাই 'কইনা' নামৰ টোপোলা বান্ধে। আইতী সকলে কইনাক কোলাত লৈ চুমা খাই কইনাজনিক দিয়ে আৰু কইনাজনিয়েও ওলোটাই মাক আৰু আয়তীসকলৰ লগত সলনা-সহলনিকৈ লয়। নোৱাই তোলনী বিয়া এজনী ছোৱালীৰ যৌৱন প্ৰাপ্ত হোৱাৰ সংকেত। সেয়েহে তোলনি বিয়াত সন্তানৰ প্ৰতীক কইনাক কইনাৰ কোলাত দিয়া হয়। কলপাতৰ তিনিদলিয়া সেন্দুৰৰ ফোঁট দি ছোৱালী জনীক এযোৰ কাপোৰ পিন্ধাই সমাজৰ আগত দেখুৱাই দিয়ে। ইয়াৰ পিছতে কইনাক পা পৰা উঠোৱা হয়। ফুল বিয়া হোৱা বাবে এই বিয়াত, আখৈ, পিঠাগুৰি আদি দিয়াৰ ব্যৱস্থা কৰে। পূৰ্বতে এই বিয়াত মতা মানুহ উপস্থিত থকা বা যোৱাকালি সম্পূৰ্ণ নিষেদ আছিল। বৰ্তমান এই ব্যৱস্থাৰ পৰিবৰ্তন হোৱা দেখা যায়। কইনাৰ কৰণিয়া কাম-কাজবোৰ সম্পাদন কৰাৰ পাছত বয়োজেষ্ঠ্য মহিলা আৰু বোৱাৰীৰ সকলে বিভিন্ন আচাৰ ৰীতি সমূহ শেষ কৰাৰ পিছতে আখৈ বিতৰণ কৰে।

ঠাই বিশেষ বৰ্তমান এই ব্যৱস্থাৰ কিছু সাল-সলনি দেখা যায়। কইনাকালত যাতে কোনো দোষ-আসোৱাহ নাথাকে তাৰ বাবে পাৰেমানে চেষ্টা কৰে। নহলে কন্যাকালৰ দোষ ছোৱালীজনীক আজীৱন ক্ৰিয়া কৰে বুলি বিশ্বাস কৰা হয়। দিনৰ ভাগত বিয়ালৈ অহা ৰাইজক খুওৱা বুওৱা কৰা আদি কাম কৰা বাবে গাঁৱৰ ছোৱালীবোৰে মিলি জুলি এটা ভোজ খোৱাৰ নিয়ম আছিল।

**১)পানী তুলিবৈ যোৱা নাম ঃ**

ৰাম, কৃষ্ণ পানী তুলিবলৈ।
ৰাম কৃষ্ণ দৈৱকী ওলাইছে।
হৰি মোৰ ঐ আমি গঙ্গাজল অনোগৈ।

**২.০৭ বৰ বিয়া ঃ**

সোণোৱাল জনজাতিৰ সমাজৰ অতীজৰে পৰা সামাজিক নীতি- নিয়মৰ মাজেৰে বিবাহ কাৰ্য অনুষ্ঠিত হয় আহিছে। 'বৰ বিয়া ক্স সোণোৱাল সকলৰ সবাতোকৈ শ্ৰেষ্ঠ আৰু আদৰণীয় বিবাহ ব্যৱস্থা। বিবাহ কাৰ্যৰ লগত কঠোৰ নিয়ম নীতি, যৌতুকৰ ব্যৱস্থা নাই যদিও তেওঁলোকৰ কিছুমান সমাজ বিৰোধী নিয়ম আছে। এই নিয়ম সমূহ যদি কোনোবাই ভংগ কৰা দেখা যায় তেতিয়া ৰাইজে সমাজৰ পৰা এঘৰীয়া কৰা হয় আৰু সকলো অনুষ্ঠানৰ পৰা বিৰত ৰাখে।

সোণোৱাল সমাজত বিবাহৰ প্ৰসংগত দেখা দিয়া সমাজ বিৰোধী আচৰণ হল- একে বংশ অৰ্থাৎ একোটা গোত্ৰ বা পৰিয়ালৰ ডেকা গাভৰু মাজত বিবাহ সম্পাদিত হব নোৱাৰে।

সোণোৱাল কছাৰী সকলৰ বৰ বিয়াৰ প্ৰকাৰ এনেধৰণৰ পোৱা যায়-

(ক) নুৱাই-ধুৱাই দিয়া বৰ বিয়া।

(খ) হোম পোৱা বিবাহ বা প্ৰজাপত্য বিবাহ।

(গ) অনুষ্ঠুপীয়া নতুবা ৰভা সৰকাই দিয়া বিবাহ।

(ঘ) গৰ্ণব প্ৰথা, অনুসৰি বিয়া আৰু পলুৱাই নিয়া বিয়া।

### ২.০৮ সোণোৱাল কছাৰীসকলৰ উৎসৱ অনুষ্ঠান ঃ

সোণোৱাল কছাৰীৰ সামাজিক পটভূমিলৈ লক্ষ কৰিলে গএগবিলাক সমাজপ্ৰিয়। পঞ্চদশ শতিকাত ধৰ্ম গুৰু শ্ৰী শ্ৰী শংকৰদেৱে যি সামাজিক আদৰ্শ ধৰিছিল সেই মতে অনুপ্ৰাণিত হৈ গাওঁকেই বসবাসৰ মূল আৰু কেন্দ্ৰ কৰি বাস কৰি আহিছে। গাঁৱত গাঁওবুঢ়াই চৰকাৰী আৰু অনা-চৰকাৰী বিষয়া বা মুৰব্বী। চৰকাৰী বে-চৰকাৰী সকলো ফালৰপৰাই তেওঁ গাঁওখনক পৰিচালনা কৰে। একোখন গাঁৱৰ শৃংখলা ৰক্ষাৰ কাৰণে বাৰীক, পাঠকে, আশীৰ্বাদদিয়া বুঢ়া, গীতঘাই মেধী, তামুলী, ৰান্ধনী ভিন ভিন হিচাপে বাৰ ভাগ কৰি দিয়াৰ প্ৰথা আগৰে পৰা চলি আহিছে। সেই মতে বাৰীকেই হৰিমন্দিৰ বা নামঘৰ গৰাকী। নামঘৰ পৰিচালনা আৰু তাৰ যাৱতীয় কাজ- কৰ্ম, উৎসৱ- পাৰ্বন, তিথি মহোৎসৱ আদি উৎসৱৰ দিন পালন, ৰাজহুৱা পুঁজিৰ হিচাপ বাৰীকেই ৰাখিব লাগে। অৱশ্যে বুজি সমাজ একোজন ধন-ভৰালীও লয়। কোনো সবাহ বা পূবত পাঠকে শাস্তপাঠ, ঘৰুৱা বা ৰাজহুৱা কামত সেইদৰে আশীৰ্বাদদিয়া বুঢ়াই আশীৰ্বাদ, দিয়া গীতঘায়েই হুঁচৰি গীত বা ৰাগ পদ দিয়া, বয়নে-গায়নে বায়নৰ ৰাগ পদ দিয়া অৰ্থাৎ গায়নৰ গুৰু হোৱা , তামুলীয়ে তামোল -পাণ কাটি সমাজক তাৰ যোগান ধৰা, ৰান্ধনী আৰু বিলনীয়াসকলে সেইদৰে ৰন্ধা- বঢ়া কৰা , মাহ-প্ৰসাদ বিলোৱা আদি বেলেগ বেলেগ কামৰ গুৰি ধৰে।

উৎসৱপূৰ্বৰ উপৰিও নামঘৰত গাঁৱৰ মেল মোকদমাৰ বিচাৰ কৰা হয়। বিচাৰত যথবিহিত জৰিমনা কি সেই ধন ৰাজহুৱা আমানতত জমা ৰখা হয়। গুৰু অপৰাধ বা দায়ত এঘৰীয়া কৰা বা খুঁটিমৰা প্ৰথাও এই সমাজত আছে। এনেস্থলত গএগই তেনেকুৱা লোকৰ সৈতে-সকলো সম্বন্ধ বিছিন্ন কৰে।

সামাজিক উৎসৱ হিচাপে ৰঙালী বিহুৱেই ঘাই উৎসৱ। বিশেষ দায়িত্বৰ মাজেদি ইয়াক সৰু-ডাঙৰ সকলোৱে পালন কৰে। উৰুকাৰ দিনা ঘৰ-দুৱাৰ সাৰি-পুচি, কাপোৰ-কানি ধুই-পখালি লোৱা হয়। গৰু বিহুৰ দিনা লাও-থেকেৰা, হালধি-বেঙেনাৰে গৰুক গা ধুৱাই আবেলি গৰুক নতুন পঘা দি পিঠা-পনা খুউৱাৰ নিয়ম। সেইদিনা লৰা-ছোৱালীসকলে গা-পা-ধুই কাপোৰ-কানি পুৱাতে পিন্ধি জা-জলপান খাই লগৰীয়াৰ হৈতে কণীযুঁজ কৰে। তাৰ পিছদিনা মানুহ বিহু অৰ্থাৎ সোণোৱাল কছাৰীসকলৰ মতে ৰং- ৰহইচৰ মহামিলন। এই দিনতে জেষ্ঠজনক সেৱা সৎকাৰ কৰে। মানুহ বিহুৰ দিনাই আবেলি নামঘৰত হুঁচৰি বা বিহু নমায়। বিহু কেতিয়া আহে?

কিম্বদন্তি মতে
তিনিশ তিনিকুঢ়ি তিনিদিন
বলি ৰজা দোমহি
বলি ৰজা আহে আৰু যায়।

### ২.০৮.০১ খ্ৰীং খ্ৰীং বাইথ পূজা ঃ

প্ৰতিটো জাতি জনগোষ্ঠীৰ নিজা নিজা জাতীয় উৎসৱ আছে। অসমৰ ভূমিপুত্ৰ সোণোৱাল কছাৰীসকলোৰে স্বকীয়তা বহন কৰা লোক উৎসৱ আছে। অসমৰ জনসাধাৰণতে পালন কৰা তিনি বিহুৰ উপৰিও ঐতিহ্যমণ্ডিত লোক উৎসৱ হ'ল খ্ৰীং খ্ৰীং বাইথ পূজা। খ্ৰীং খ্ৰীং বাইথ পূজা সোণোৱালসকলৰ পৰম আৰাধ্য দেৱতা শিৱৰ নামত পালন কৰা হয়। দেৱাদিদেৱ শিৱই সোণোৱাল সমাজৰ মাজৰ অতি প্ৰাচীন কালৰে পৰা প্ৰাধান্য পাই আহিছে। আদিম অৱস্থাত এই পূজা হাবিৰ মাজৰ গছৰ গুৰিত পালন কৰা হৈছিল। এই পূজাৰ অন্তৰালত এক কাহিনী জড়িত হৈ আছে।

কাহিনীমতে শিৱই মাধৱ পুৰুষ শিৱই ওজা গৰখীয়া জামুক গছৰ গুৰিত বহি গন্ধসৰৈ গছৰ গুৰিত ফৰিং ধৰি পূজা কৰিবলৈ উপদেশ দিছিল। এনে কৰিলেহে তেওঁলোকৰ গৰু গাইবিলাক নিৰাপদে থাকিব। ওজাৰ উপদেশমতে গৰখীয়াহঁতে ফৰিং বিচাৰী আনি উলু খেৰৰ পাতেৰে ফৰিং বলি দিয়াত গৰু গাইবিলাক নিৰাপদে থাকিল। এইদৰে গন্ধসৰৈ গছৰ গুৰিত পূজা দি, গীত মাত গাই গীতৰ সঁজুলিবোৰ জামুক গছৰ গুৰিত মাধৱ পুৰুষৰ কাষত থয়হি। এদিন এজন গৰখীয়াই কিবা কাৰণত ফৰিং ধৰি আনিব নোৱাৰিলে আৰু ফৰিং নাপালোঁ মোকেই বলি দিয়ক বুলি ডিঙিটো পাতি দিয়াত পূজাৰীয়ে উলুখেৰৰ পাতখিলাৰে সেই গৰখীয়াৰ ডিঙিত ৰেপ মাৰি দিয়াত ডিঙি ছিঙি গ'ল। এই ঘটনা তেওঁলোকৰ সমাজত প্ৰচাৰ হোৱাৰ পিছৰ পৰাই পূজাৰ মহত্ব আৰু গুৰুত্ব বাঢ়িল আৰু নিয়মীয়াকৈ পূজা পাতিবলৈ গ'লে। উলু খেৰে ডিঙি কটা বাবে আজিও বাইথ পূজাত বৰবলি দিওঁতে বলিৰ ডিঙিত উলুপাতৰ মালা গাঁঠি বান্ধি যোৱা ধৰাই ধৰি থাকে । আদিতে গৰখীয়া ল'ৰাৰ হতুৱাই সংগ্ৰহ কৰাৰ পৰম্পৰা আজিও চলি আছে। জামুক আৰু গন্ধসৰৈ গছক পবিত্ৰ জ্ঞান কৰি আজিও বাইথক্স মন্দিৰৰ মূল খুঁটাটো গন্ধসৰৈ কাঠৰ লোৱা হয় আৰু জামুক গছৰ কথা বিভিন্ন গীতত উল্লেখ পোৱা যায়। পূজাৰ লগত সংগতি ৰাখি বাইথ মন্দিৰ নিৰ্মাণৰ চমু বৰ্ণনা তলত উল্লেখ কৰা হ'ল। এই পূজা মূল মন্দিৰত চাৰিদিনীয়া কাৰ্য্যসূচিৰে পালন কৰা হয়। দেওবাৰে চিকমিকিয়া পৰত ভুৰুলীশালৰ পৰা মূল খান্দা (দা খন) চাঙৰ পৰা নমাই আনি শুদ্ধ মাধৱপুৰুষৰ ৰসেৰে ধুৱাই এগছি বন্তি জ্বলাই দক্ষিণ দিশে ধাৰটো ৰাখি এটি তামোল পাণৰ টোপোলা আগবঢ়াই এখনি সৰু অস্ত্ৰৰে এটি সৰু কুকুৰৰ বলি দিয়া হয়। বলিৰ প্ৰথাৰে সৈতে এখাজি বনাই কৰ্মীসকলে গ্ৰহণ কৰে। মূল পূজাৰীয়ে ভুৰুলীশালৰ প্ৰসাদ গ্ৰহণ নকৰে। এজন কৰ্মীয়ে গা-ধুই তিতা কাপোৰেৰে সেৱা জনাই উলুখেৰৰ পাতেৰে নটা টোপোলা বান্ধে নজন দেৱতাক উদ্দেশ্য কৰি সেইসকল হ'ল খ্ৰীং ৰাজা, গজায়, মনাই, ফুলকোঁৱৰ, ভুৰুলী হাবুকী, চাৰি খুটা চাৰিশাল, গোঁসানী, সৰস্বতী আৰু টকাবাঁহী। ইয়াৰে দুটা টোপোলা উত্তৰ-পূব কোণৰ খুঁটাত আৰু দুটা টোপোলা দক্ষিণ-পূব কোণৰ খুঁটাত বান্ধে। আনদুটা টোপোলা পূজাৰীৰ বৰঘৰৰ বৰচাঙত দি তাৰ পৰা হাইদাং গীতৰ সঁজুলিবোৰ নমাই আনি মন্দিৰত ৰাখেহি। এটা টোপোলা বাইথ'ক এটা আশীৰ্বাদীয়াক, এটা গীত ঘাইক দিয়ে। এটা কুকুৰা পুৰি খাজী বনাই সেৱকীসকলে খোৱাৰ ব্যৱস্থা কৰে। খোৱাৰ আগতে এজনলোকে কেইটামান সাঁথৰ বা যোজনা কয় উত্তৰ দিব নোৱাৰিলে মন্ত্ৰপাঠ কৰি খোৱাৰ ব্যৱস্থা কৰে। ইয়াকে দেওনমোৱা অনুষ্ঠান বুলি কোৱা হয়।

পিছদিনা পূজাৰীৰ বৰঘৰত প্ৰতি গাঁৱৰ বাৰিকে এবটল মাধৱপুৰুষৰ ৰসেৰে সৈতে ভাৰ জমা দিয়া হয়। উক্ত মাধৱপুৰুষৰ ৰসেৰে শান্তিজল তৈয়াৰ কৰি শুচি কৰি পূজাৰ কাম-কাজত ব্যস্ত হৈ পৰে। পূজাৰ এই কাম কাজ চলাবলৈ বিভিন্ন বিষয়ববীয়াৰ পদবী আছে। উল্লেখনীয় যে কেৱল বামীয়েহে চোৱা-মেলা কৰিব পাৰে। বিভিন্নজন দেৱতাৰ নামত পূজা উৰ্ছগা কৰাৰ পিছত পূজাৰীৰ বৰঘৰৰ পিছফালে কুলাচল দেৱতাৰ নামত এটা ক'লা কুকুৰা এৰি দিয়া হয়। ইয়াৰ পিছতে মূল মন্দিৰত ৰঙা আলোৱা কুকুৰা বলি দিয়া হয়। তামোল-পাণৰ টোপোলা আগবঢ়াই সেৱা জনোৱা হয়। মূল মন্দিৰৰ পূজা আৰম্ভ হোৱাৰ পিছত ভুৰুলী শালত পূজা কৰা হয়। ইয়াত হিন্দুৰ বিশ্বাস মতে তেত্ৰিশ কোটি দেৱতাৰ নামত পূজাৰ ভাগ আগবঢ়োৱা হয়। ইয়াৰ পিছতে ফুলকোঁৱৰে এটা নিজাববীয়া আৰু এটা ৰাইজৰ পক্ষী বলি দিয়ে। এই শালত ভুৰুলী হাবুকীৰ নামত এযোৰ পশু বলি দিয়া হয়। মাধৱপুৰুষৰ ৰস বামীসকলে শান্তিজল হিচাপে গ্ৰহণ কৰে, দেৱতাৰ নামত দিয়া নহয়। সোমবাৰে গোটেই নিশা পূজাৰ ক্ৰিয়াকৰ্ম আৰম্ভ কৰাৰ পিছত মঙ্গলবাৰে ৰাতিপুৱা সাতমান বজালৈকে পূজাৰ কাম চলাই পূজা সামৰি নিজ নিজ শিবিৰ আৰু গৃহলৈ গৈ খোৱা-বোৱাৰ ব্যৱস্থা কৰি পুনৰ

কাহিনীমতে শিৱই মাধৱ পুৰুষ শিৱই ওজা গৰখীয়া জামুক গছৰ গুৰিত বহি গন্ধসৰৈ গছৰ গুৰিত ফৰিং ধৰি পূজা কৰিবলৈ উপদেশ দিছিল। এনে কৰিলেহে তেওঁলোকৰ গৰু গাইবিলাক নিৰাপদে থাকিব। ওজাৰ উপদেশমতে গৰখীয়াহঁতে ফৰিং বিচাৰী আনি উলু খেৰৰ পাতেৰে ফৰিং বলি দিয়াত গৰু গাইবিলাক নিৰাপদে থাকিল। এইদৰে গন্ধসৰৈ গছৰ গুৰিত পূজা দি, গীত মাত গাই গীতৰ সঁজুলিবোৰ জামুক গছৰ গুৰিত মাধৱ পুৰুষৰ কাযত থয়হি। এদিন এজন গৰখীয়াই কিবা কাৰণত ফৰিং ধৰি আনিব নোৱাৰিলে আৰু ফৰিং নাপালোঁ মোকেই বলি দিয়ক বুলি ডিঙিটো পাতি দিয়াত পূজাৰীয়ে উলুখেৰৰ পাতখিলাৰে সেই গৰখীয়াৰ ডিঙিত ৰেপ মাৰি দিয়াত ডিঙি ছিঙি গ'ল। এই ঘটনা তেওঁলোকৰ সমাজত প্ৰচাৰ হোৱাৰ পিছৰ পৰাই পূজাৰ মহত্ব আৰু গুৰুত্ব বাঢ়িল আৰু নিয়মীয়াকৈ পূজা পাতিবলৈ গ'লে। উলু খেৰে ডিঙি কটা বাবে আজিও বাইথ পূজাত বৰবলি দিওঁতে বলিৰ ডিঙিত উলুপাতৰ মালা গাঁঠি বান্ধি যোৱা ধৰাই ধৰি থাকে । আদিতে গৰখীয়া ল'ৰাৰ হতুৱাই সংগ্ৰহ কৰাৰ পৰম্পৰা আজিও চলি আছে। জামুক আৰু গন্ধসৰৈ গছক পৱিত্ৰ জ্ঞান কৰি আজিও বাইথক্স মন্দিৰৰ মূল খুঁটাটো গন্ধসৰৈ কাঠৰ লোৱা হয় আৰু জামুক গছৰ কথা বিভিন্ন গীতত উল্লেখ পোৱা যায়। পূজাৰ লগত সংগতি ৰাখি বাইথ মন্দিৰ নিৰ্মাণৰ চমু বৰ্ণনা তলত উল্লেখ কৰা হ'ল। এই পূজা মূল মন্দিৰত চাৰিদিনীয়া কাৰ্য্যসূচিৰে পালন কৰা হয়। দেওবাৰে চিকমিকিয়া পৰত ভুৰুলীশালৰ পৰা মূল খান্দা (দা খন) চাঙৰ পৰা নমাই আনি শুদ্ধ মাধৱপুৰুষৰ ৰসেৰে ধুৱাই এগছি বন্তি জ্বলাই দক্ষিণ দিশে ধাৰটো ৰাখি এটি তামোল পাণৰ টোপোলা আগবঢ়াই এখনি সৰু অস্ত্ৰৰে এটি সৰু কুকুৰৰ বলি দিয়া হয়। বলিৰ প্ৰথাৰে সৈতে এখাজি বনাই কৰ্মীসকলে গ্ৰহণ কৰে। মূল পূজাৰীয়ে ভুৰুলীশালৰ প্ৰসাদ গ্ৰহণ নকৰে। এজন কৰ্মীয়ে গা-ধুই তিতা কাপোৰেৰে সেৱা জনাই উলুখেৰৰ পাতেৰে নটা টোপোলা বান্ধে নজন দেৱতাক উদ্দেশ্য কৰি সেইসকল হ'ল খ্ৰীং ৰাজা, গজায়, মনাই, ফুলকোঁৱৰ, ভুৰুলী হাবুকী, চাৰি খুটা চাৰিশাল, গোঁসানী, সৰস্বতী আৰু টকাবাঁহী। ইয়াৰে দুটা টোপোলা উত্তৰ-পূব কোণৰ খুঁটাত আৰু দুটা টোপোলা দক্ষিণ-পূব কোণৰ খুঁটাত বান্ধে। আনদুটা টোপোলা পূজাৰীৰ বৰঘৰৰ বৰচাঙত দি তাৰ পৰা হাইদাং গীতৰ সঁজুলিবোৰ নমাই আনি মন্দিৰত ৰাখেহি। এটা টোপোলা বাইথ'ক এটা আশীৰ্বাদীয়াক, এটা গীত ঘাইক দিয়ে। এটা কুকুৰা পুৰি খাজী বনাই সেৱকীসকলে খোৱাৰ ব্যৱস্থা কৰে। খোৱাৰ আগতে এজনলোকে কেইটামান সাঁথৰ বা যোজনা কয় উত্তৰ দিব নোৱাৰিলে মন্ত্ৰপাঠ কৰি খোৱাৰ ব্যৱস্থা কৰে। ইয়াকে দেওনমোৱা অনুষ্ঠান বুলি কোৱা হয়।

পিছদিনা পূজাৰীৰ বৰঘৰত প্ৰতি গাঁৱৰ বাৰিকে এবটল মাধৱপুৰুষৰ ৰসেৰে সৈতে ভাৰ জমা দিয়া হয়। উক্ত মাধৱপুৰুষৰ ৰসেৰে শান্তিজল তৈয়াৰ কৰি শুচি কৰি পূজাৰ কাম-কাজত ব্যস্ত হৈ পৰে। পূজাৰ এই কাম কাজ চলাবলৈ বিভিন্ন বিষয়ববীয়াৰ পদবী আছে। উল্লেখনীয় যে কেৱল বাৰ্মীয়েহে চোৱা-মেলা কৰিব পাৰে। বিভিন্নজন দেৱতাৰ নামত পূজা উৰ্চ্ছগা কৰাৰ পিছত পূজাৰীৰ বৰঘৰৰ পিছফালে কুলাচল দেৱতাৰ নামত এটা ক'লা কুকুৰা এৰি দিয়া হয়। ইয়াৰ পিছতে মূল মন্দিৰত ৰঙা আলোৱা কুকুৰা বলি দিয়া হয়। তামোল-পাণৰ টোপোলা আগবঢ়াই সেৱা জনোৱা হয়। মূল মন্দিৰৰ পূজা আৰম্ভ হোৱাৰ পিছত ভুৰুলী শালত পূজা কৰা হয়। ইয়াত হিন্দুৰ বিশ্বাস মতে তেত্ৰিশ কোটি দেৱতাৰ নামত পূজাৰ ভাগ আগবঢ়োৱা হয়। ইয়াৰ পিছতে ফুলকোঁৱৰে এটা নিজাববীয়া আৰু এটা ৰাইজৰ পক্ষী বলি দিয়ে। এই শালত ভুৰুলী হাবুকীৰ নামত এযোৰ পশু বলি দিয়া হয়। মাধৱপুৰুষৰ ৰস বাৰ্মীসকলে শান্তিজল হিচাপে গ্ৰহণ কৰে, দেৱতাৰ নামত দিয়া নহয়। সোমবাৰে গোটেই নিশা পূজাৰ ক্ৰিয়াকৰ্ম আৰম্ভ কৰাৰ পিছত মঙ্গলবাৰে ৰাতিপুৱা সাতমান বজালৈকে পূজাৰ কাম চলাই পূজা সামৰি নিজ নিজ শিবিৰ আৰু গৃহলৈ গৈ খোৱা-বোৱাৰ ব্যৱস্থা কৰি পুনৰ

পূজাস্থলীলৈ আহেগৈ। পূজাৰ প্ৰসাদেৰে পূজাৰীৰ বৰঘৰত ভোজ ৰান্ধি সাতজন ভকতক খুৱায়। ইয়াকে ৰাজহুৱা বুঢ়াপোহা বোলে। মঙ্গলবাৰে দিনৰ আহাৰ গ্ৰহণ কৰি আহি পূজাৰীৰ বৰঘৰৰ ভিতৰত গীত সামৰি সঁজুলিসমূহ সোধাই যায়হি। এই সময়ত ডেকা-গাভৰুৱে আনন্দত বিহু মাৰে। লখিমী নমোৱাৰ পিছত বিহু সামৰে, ইয়াৰ লগে লগে হাইদাং গীত দলটিয়ে হুঁচৰি নমাই গীত গায়। বিহুৰ সঁজুলিবোৰ যেনে - ঢোল, টকা, পেঁপা, তাল, গগনা, বীণ আদি চ'ত মাহত অনুষ্ঠিত হোৱা বাইথ পূজাৰ সময়তে চাঙৰ পৰা নমোৱা হয়। এই সঁজুলিসমূহ লৈ পূজাৰ অন্তত ৰং ধেমালি হিচাপে বিহু মাৰে। ইয়াকে সোণোৱালসকলে বিহু নমোৱা বুলি কয়। বাইথ পূজাৰ শেষৰ দিনা অৰ্থাৎ বুধবাৰ দিনা গাঁৱৰ কাষৰ হাবিত নিৰ্দিষ্ট ঠাইত খোলা আজি পূজাৰ ব্যৱস্থা কৰে। বাঘদেৱতাক উদ্দেশ্য কৰি আগবঢ়োৱা পূজাৰ সামৰণিৰ লগে লগে মূল বাইথ পূজাৰো সামৰণি পৰে। বাইথ বা খ্ৰীং খ্ৰীং বাইথ পূজাত সোণোৱালসকলৰ ঐতিহ্যমণ্ডিত হাইদাং গীত পৰিবেশন কৰা হয়। মূৰত আৰু হাতত ময়ুৰ চৰাইৰ পাখি লৈ এই নৃত্য কৰা হয়। তেওঁলোকৰ বিশ্বাস আৰু ধৰণানুসৰি হাইদাং গীতত সৃষ্টিতত্ব, দেহতত্ব, জীৱ আৰু জড় জগতৰ মহত্বপূৰ্ণ দিশসমূহৰ কাহিনী নিৰূপিত হৈ আছে। দেৱ ডাঙৰ কোন?, মাছৰ ডাঙৰ কি?, গীতৰ কি?, পক্ষীৰ ডাঙৰ কোন?, পানীৰ ডাঙৰ কি পানী? আদিৰ প্ৰশ্ন আৰু উত্তৰৰ কথোপকথনধৰ্মী বৈশিষ্ট্য সন্নিবিষ্ট হৈ আছে।

**২.০৮.০২ বহাগ বিহু ঃ**

বহাগ বিহু ৰং আৰু আনন্দৰ উৎসৱ। এই ৰং আনন্দৰ পৰা সোণোৱাল কছাৰীসকলো বঞ্চিত নহয়। এই বিহুক তেওঁলোকে বলিৰ বংশধৰ হিচাপে বলি ৰজাৰ দোমাহী বুলি কয়। সোণোৱাল সমাজৰ বিশ্বাস মতে তলৰ গীতফাকি উল্লেখ কৰা হল -

'তিনিশ তিনি কুৰি তিনিদিন<br>বালিৰজা দোমাহী<br>বালিৰজা আহে আৰু যায়'।

অৰ্থাৎ তিনিশ তিনিকুৰি তিনিদিনৰ মূৰে মূৰে অৰ্থাৎ প্ৰতিবছৰৰ অন্তত বলিৰজাই তেওঁৰ উত্তৰ পুৰুষসকলক সাঁচৰ ফুৰাবৰ বাবে এবাৰ আহে। তেওঁৰ আগমণৰ উপলক্ষে এইদৰে বহাগ বিহু পালন কৰি ৰং-আনন্দ কৰে।

প্ৰথমদিনা গৰু বিহু বুলি সোণোৱালসকলে সেইদিনা পুৱাতেই গৰুক মাহ হালধিৰে নোৱাই সমূহীয়াকৈ নৈত লাহনীৰে পানী ছটিয়াই গা ধুৱায়। সেইদিনা বাঁহৰ এচাৰিৰে কোবোৱাৰ নিয়ম নাই। তাৰ সলনি পুৱা গা ধুৱাবলৈ নিওতে দীঘলতী আৰু মাখিয়তী ঠানিৰে কোবাই নিয়া দেখা যায়। গধূলি নতুনকৈ বন্ধা পঘাডালত পূৰ্বতে টংলতি পাত ফুল লগাই শুদ্ধ কৰি বন্ধাৰ নিয়ম আছিল। বৰ্তমান বৈষ্ণবীয় প্ৰভাৱত তুলসী পাত গাঁঠি দিয়া দেখা যায়। গধূলি নতুনকৈ বন্ধা পঘাডালত পূৰ্বতে টংলতি পাত, ফুল লগাই শুদ্ধ কৰি তুলসী পাত গাঁঠি দিয়া দেখা যায়। উক্ত দিনটো গৰু বিহু বুলি সোণোৱালসকলে বিহুৰ হুঁচৰি আৰম্ভ নকৰে। মানুহ বিহুৰ দিনাহে হুঁচৰি উলিয়াই। এই বিহুত সোণোৱাল কছাৰীসকলে অতি তাৎপৰ্যমূলক তেৰটা পাব থকা এডাল বাঁহ কাটি আনি নামঘৰত বিধিমতে হুঁচৰি উলিয়াই ঘৰে ঘৰে লৈ ফুৰে। স্থান বিশেষে এই বাঁহডাল দাঙি ৰাখিবৰ বাবে তিনিটা দুটা আৰু এটাকৈ খুঁটি লৈ ফুৰা হয়। এইখিনিতে এটা মন্তব্য নিষ্প্ৰয়োজন যদিও উল্লেখ কৰিব পাৰি যে যদি হুঁচৰিৰ উৎপত্তি সতীৰ দেহত্যাগৰ লগত জড়িত কাহিনীক কেন্দ্ৰ কৰি এই 'টক' মাৰি নিৰ্ধাৰণ কৰা হৈছে, তেতিয়া হ'লে এটা খুঁটি লোৱাটোৱে উচিত হ'ব। কাৰণ বাঁহডাল যদি সতীৰ দেহৰ প্ৰতীক হয় খুঁটিটোক

প্ৰতীক হিচাপে ল'ব পাৰি। ইয়াত চাৰিসিদ্ধ বা ত্ৰি-ত্ৰৈলোক্যৰ প্ৰাসংগিকতা আহিব নোৱাৰে। আনহাতে এটা খুঁটিক একেশ্বৰ বাদৰ কথাও গ্ৰহণ কৰিব পাৰি। এতেকে তেৰপৰীয়া বাঁহডাল এটা খুঁটিৰ ওপৰত ৰাখি হুঁচৰি গোৱা প্ৰথা সৰ্বত কছাৰী গাঁও সমূহৰ একে হ'লে পৰবৰ্তী সময়ত উত্তৰ পুৰুষৰ বাবে স্থায়ী হৈ ৰণ বুলি কব পাৰি। বাঁহডালত ডালত সৰু সৰু লাঠি বা এছাৰিৰে হুঁচৰি গীতৰ ছন্দে ছন্দে গীত গাই কোব মাৰে। এই বাঁহডালক 'টকা' মাৰি বোলে। নামঘৰত আৰম্ভ কৰি শেষৰ দিন পৰ্যন্ত এই বাঁহডালক পুনৰ নামঘৰত হুঁচৰি গাই ওচৰত থকা গছৰ তলত থৈ আহে। বাঁহডাল এৰি অহাৰ সময়ত শেষত ব্যক্তিজনে এডাল জেং দি আহে। নীতিমতে বিহু এৰি আহোঁতে পিছলৈ চোৱা নিষেধ। ইয়াকে বিহু উৰুৱা বুলি কোৱা হয়। হুঁচৰি গাওঁতে প্ৰতিঘৰ গৃহস্থই হুঁচৰি দলটোক নিয়মানুসৰি শৰাই, মাননি আগবঢ়ায়। কোনো গৃহস্থৰ ঘৰত নতুন বোৱাৰী থাকিলে গামোচা, চেলেং কাপোৰ দি হুঁচৰি দলক সেৱা জনাব লাগে। নতুনকৈ কন্যাকাল হোৱা ছোৱালী থাকিলে নৱবস্ত্ৰ গামোচা, হুঁচৰি দলক দিয়াটো ধৰাবন্ধা নিয়ম আছিল। বছৰেকত বিহুত তেনেদৰে বস্ত্ৰদান কৰাটো মাংগলিক কাম বুলি ধৰা হয়। এই বিষয়ে হুঁচৰি গীতত এনেদৰে উল্লেখ আছে -

'বহাগৰ বিহুতে বস্ত্ৰদান কৰিবা
তেহে পাবা বৈকুণ্ঠত স্থান'।
(হাইদাং হুঁচৰি গীত)

বিহুৰ সময়ত হুঁচৰি দল বা বিহুৱা দলটিক গামোচা বা চেলেং চাদৰ দিব নোৱাৰাটো ঘৰখনত তাঁতশিল্পৰ প্ৰতি থকা অনীহাকে বুজায়। সেয়েহে শৰাইত নৱবস্ত্ৰ বিচাৰি হুঁচৰি দলটোৱে এনেদৰে গায় -

'শৰাই হৰেমতি বাই ঐ
শৰাইত গামোচা নাই ঐ
চোতাল আগৰ নাদ ঐ চোতাল আগৰ নাদ
ৰূপ কাপোৰ নাপাওঁ মানে চোতাল কৰিম পাত'।
(হাইদাং হুঁচৰি গীত)

**বহাগ বিহুৰ পৰম্পৰা ঃ**

বহাগ বিহুৰ পৰম্পৰা অনুসৰি তেওঁলোকৰ সমাজত কিছু ৰীতি নীতি পালন কৰা দেখা যায়। গৰু গা ধুৱাই আহি ঘৰৰ চাৰিচুকত চাৰি চপৰা মাটি দিয়ে। দুৱাৰমুখত জেতুলিপকাৰ কাঁইট, বগৰীৰ জেং, টিকণিবৰুৱা আদি হাবিৰ পৰা আনি দিয়াৰ নিয়ম। গধূলি পদূলি মুখত জাক দিয়ে। এনে কৰিলেহে মানুহৰ সৰ্প ভয়, ভূত-প্ৰেত, মাৰি-মৰক আদি ঘৰৰ চৌহদত প্ৰৱেশ কৰিব নোৱাৰে বুলি তেওঁলোকৰ বিশ্বাস আছে। গৰুক গা ধুৱাই আনোতে বিভিন্ন জাতৰ তৃণাদি বুটলি আনি এটা বটলত ভৰাই থৈ দিয়াৰ নিয়ম। পেটৰ বিষ হ'লে এইবোৰ খালে ভাল হ'ব বুলি বিশ্বাস। সেইদিনা আমৰলি পৰুৱাৰ টোপ ভাজি খালে ভবিষ্যতে নাকৰ বিভিন্ন ৰোগ নিৰ্মূল হয় বুলি লোক পৰম্পৰা আছে। গৰু বিহুৰ দিনাই বেহাৰপন্থীসকলে মৃতকত দিয়ে। ওচৰ চুবুৰীয়া আৰু আত্মীয়-কুটুমক আমন্ত্ৰন কৰি মদ ভাত খুৱায়। ইয়াৰোপৰি এশ এবিধ বনশাকৰ আঞ্জা খাই সু-স্বাস্থ্যৰ কামনা কৰে। ঘৰে ঘৰে হুঁচৰি গাই গৃহস্থৰ ঘৰত বিহুৱা ৰাইজে আশীৰ্বাদ দিয়া ব্যৱস্থা এক মহৎ কৰ্ম বুলি ধৰা হয়। এইবিলাক লোকাচাৰ তেওঁলোকৰ এক সুকীয়া সাংস্কৃতিক সম্পদ বুলি ক'ব পাৰি। বিহু বহাগৰ সাতদিনৰ ভিতৰত শেষ কৰাটো পূৰ্বে বাধ্যবাধকতা আছিল। এই বিহুৰ হুঁচৰিত সংগৃহীত ধনেৰে ৰাইজে ৰাজহুৱাকৈ নামঘৰত ভোজ ভাত খায়। ভোজ ভাত খোৱাৰ আগতে হুঁচৰি সংগৃহীত ধনৰ হিচাপ আৰু ৰাইজৰ পৰা

পোৰা চেলেং গামোচাৰ নিলাম বিক্ৰী হয়। এইদৰে কাপোৰ বেচা কাৰ্যক টঙালিচোৰা বুলি কোৰা হয়। সোণোৱাল গাওঁবিলাকতে পূৰ্বতে এক অঘোষিত নীতি আছিল যে গাঁৱৰ হুঁচৰি নোহোৱালৈকে অন্য গাঁৱৰ হুঁচৰি দলে সেই গাঁৱত প্ৰবেশ কৰিব নোৱাৰিছিল। বিহু উৰুৱাৰ পিছত ঢোল-তাল আদিও বজোৱা নিষেধ আছিল। অৱশ্যে বৰ্তমানে কিছু পৰিবৰ্তন হৈছে।

**২.০৮.০৩ বহুৱা নৃত্য ঃ**

সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত আন এক লোক উৎসৱ হ'ল বহুৱা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বগীনদী, ভেবেলী, বিহপুৰীয়া আদিত বিহু উৰুৱা দিনাই এই উৎসৱ পালন কৰে। ডিব্ৰুগড় জিলাৰ জামিৰা অঞ্চল, খোৱাং ন-হাজাৰ অঞ্চল আৰু তিনিচুকীয়া জিলাৰ ধলা অঞ্চলটো এই নৃত্য উৎসৱ পালন কৰা হয়। জামিৰা অঞ্চলত পূৰ্বতে সাত বিহুৰ পিছত এই উৎসৱ পতা হয় বুলিও জানিব পৰা যায়। এই উৎসৱক সাধাৰণতে নৃত্য উৎসৱ বুলিয়ে ক'ব পাৰি। সতীৰ দেহত্যাগৰ কাহিনীক পটভূমি হিচাপে লৈ এই বহুৱা নৃত্য উৎসৱ আয়োজন কৰা হয়। ৰজা দক্ষৰ লগত শিৱ আৰু অনুচৰ বৰ্গৰ মাজত সৃষ্টি হোৱা দন্দই হ'ল এই বহুৱা উৎসৱৰ মূল বীজ। ইয়াৰে গইনা লৈ দক্ষ যজ্ঞৰ উত্তৰ কালত মংগোলীয় গোষ্ঠীত সোণোৱাল কছাৰীসকলে শিৱৰ উপাসক হিচাপে সতীৰ স্মৃতি ৰক্ষাৰ্থে এই বহুৱা নৃত্যৰ প্ৰচলন কৰিছিল। এই নৃত্যত যিসকলে বহুৱা বহুৱানীৰ ভাও লয়, বিশেষকৈ মূল বহুৱা কেইজনে যথেষ্ট নীতি নিয়ম আৰু সংযম চলিব লগা হয়। নৃত্যৰ সাজপাৰ হ'ল কলপাত ছিৰিলি ছিৰিলিকৈ ফালি লৈ এক সুনিৰ্দিষ্ট কৌশলেৰে এই পাতসমূহ পৰিধান কৰা হয়। বিভিন্ন ভংগিমাৰে তাল মৃদঙ্গ আৰু ঢোলৰ (ঠাই বিশেষ) ছেৱে-ছেৱে নৃত্য কৰাৰ পিছত এটা পুখুৰী বা নৈত বুৰ মাৰি একে উশাহতে গাঁঠিসমূহ খুলি পাৰলৈ উঠি অহাৰ নিয়ম। অন্যথাই বিঘ্নিত হ'লে গাঁৱত মাৰি-মৰক, ৰোগ-ব্যাধি অনেক হয় বুলি বিশ্বাস। সেয়ে তন-মন একাত্ম কৰি এই নৃত্য পৰিবেশনৰ পিছত অতি সাৱধানেৰে এইবোৰ খোলাৰ নিয়ম আছে। অঞ্চলবাসী ৰাইজৰ মতানুসৰি যদি এই নৃত্যৰ প্ৰতি কোনো লোকে বিৰূপ মন্তব্য কৰে, তেতিয়াহ”লে সেইসকল ব্যক্তিয়ে না না অমংগলৰ সন্মুখীন হ'ব লগা হয় বুলি ভিন্নজনৰ মুখত শুনিবলৈ পোৱা যায়।

মহাপুৰুষীয়া বৈষ্ণৱ আদৰ্শত দীক্ষিত হোৱাৰ পিছত সোণোৱাল সমাজত সত্ৰীয়া ব্যৱস্থাই গা কৰি উঠে। সত্ৰৰ অধিকাৰ বা গুৰু চহৰ ফুৰিবলৈ আহিলে শৰণ, ভজন মেধি আদিৰ গুৰু দীক্ষা লোৱাৰ সময়তো এক উৎসৱমুখৰ পৰিবেশ সৃষ্টি হোৱা দেখা যায়। কাতি বিহু আৰু মাঘ বিহু সম্পৰ্কীয় বহুতো লোককাহিনী আছে যদিও কলেৱৰ বৃদ্ধিৰ আশংকাত সবিশেষ উল্লেখ কৰা নহ'ল।

এনেদৰেই সোণোৱাল কছাৰী লোক সংস্কৃতি আৰু লোক উৎসৱ সম্পৰ্কে আলোচনা কৰিব পৰি।

**বহুৱা নৃত্যৰ পৰিচয় ঃ**

মানৱ সভ্যতাৰ আদিমতম বসন-ভূষণ আছিল গছৰ পাত অথবা বাকলি। ই ইতিহাস সত্য, এই তথ্যক বাস্তৱত অনন্য ৰূপত সোণোৱাল কছাৰীসকলে তেওঁলোকৰ পৰম্পৰাগত লোক-কৃষ্টিত আজিও জীৱন্ত কৰি ৰাখিছে। চিৰিলি চিৰিলি কলপাতৰ বসৰ পৰিহিত সোণোৱাল কছাৰী সকলৰ এই বিশেষ লোক কৃষ্টিৰ নাম হৈছে 'বহুৱা নাচ' আলোচনাটি আগবঢ়াই নিবৰ বাবে সমলসমূহ ডিব্ৰুগড় জিলাৰ জামিৰা ধমল গাওঁ নহাজাৰ নাহৰণি গাঁৱত ক্ষেত্ৰ অধ্যয়ন কৰি সংগ্ৰহ কৰা হৈছে।

সোণোৱাল কছাৰীসকলে শিৱক সন্তুষ্ট কৰাৰ মানসেৰে প্ৰতি দুবছৰৰ মূৰে মূৰে সাত বহাগৰ দিনা 'বহুৱা নাচ' ৰ পৰম্পৰাগত উৎসৱ পালন কৰে। হাবি জংঘলেৰে ভৰপূৰ এক বিশেষ নিৰ্বাচিত স্থানত বহাগৰ ষষ্ঠ দিনা শিৱ পূজাৰ স্থান চাফ চিকুনাই থোৱা হয়। পিছ অৰ্থাৎ সপ্তম বহাগৰ দিনা দুজন প্ৰধান শিল্পীক এশ

এখিলা পাত চিৰিলি চিৰিলি কৰি গাত পিন্ধোৱা হয়, যাক বহুৱা আৰু বহুৱানি বুলি কোৱা হয়। বহুৱা আৰু বহুৱানীক অনুকৰন কৰি অৰ্ধভাৱে কলপাতৰ বসন পৰিহিত আৰু বহুকেইজন সহশিল্পিয়ে নাচ পৰিবেশন কৰে। এওঁলোকক যখ-যখিনি বা ভূত-প্ৰেত বুলি কোৱা হয়। ওৰে ৰাতি উপবাসেৰে থকা এই শিল্পীসকলে পিছদিনা শিৱলৈ আগবঢ়োৱা পুজাভাগি নিৰ্মালি ৰূপত পান কৰে। যাক সহজ ভাষাত মদ বুলি বুলি কোৱা হয়। শিৱৰ নিৰ্মালি পান কৰি শিল্পীসকলে বায়নৰ মৃদঙ্গ, তাল (পাতিতাল) আৰু স্থান বিশেষে ঢোলৰ ছেৱে ছেৱে এক বিশেষ ভংগিমাত নৃত্য কৰি হাবিৰ মাজৰ শিৱক পূজা কৰা ঠাইৰ পৰা আগতে নিৰ্দিষ্ট কৰি ৰখা মুকলি ঠাইলৈ উলাই আহে।

বহুৱা আৰু বহুৱানী নাচৰ ভঙ্গীত সকলোতকৈ আগত আৰু তেওঁলোকৰ পিছে পিছে সহশিল্পী সকলে অনুসৰণ কৰি নাচি গৈ থাকে। মুকলি কৰি ৰখা ক্ষেত্ৰখনক বৃত্তাকাৰে মুঠ সাতপাক দি একে ভঙ্গী আৰু তালত নাচি নাচি নদীলৈ বুলি গুচি যায়। উল্লেখযোগ্য যে মুকলি ক্ষেত্ৰখনত বহুৱা আৰু বহুৱানীয়ে হাতত কলহুৱাৰ লাঠি লৈ নাচি নাচি ওলাই আহি থাকে আৰু প্ৰয়োজন সাপেক্ষে সহশিল্পীসকলক প্ৰহাৰো কৰে। আকৌ বিহপুৰীয়া অঞ্চলত বিহু কৰি থকা গাভৰুসকলকহে সাতপাক দি নচুৱাই নচুৱাই নদী বা বিললৈ বুলি লৈ যায়। সোণোৱালসকলৰ লোকবিশ্বাস মতে এই বহুৱা আৰু বহুৱানীৰ পদধূলাৰ পৰশ পালে শস্য নদন-বদন হয়। সেয়ে নদীলৈ বা বিললৈ গক্সলে শস্যপথাৰ গৰকাই নিয়াৰ নিয়ম। অৰ্থাৎ বহুৱা নাচৰ সৈতে উৰ্বৰতাৰ এক নিবিড় সম্পৰ্ক আছে।

নদী বা বিললৈ আহি থকা বহুৱা আৰু বহুৱানীক অন্যান্য শিল্পীসকলে শিৱক স্তুতি কৰি একে জুবুৰে গাৰ সমস্ত বসন পানীৰ তলতে খুলি অহাৰ নিয়ম। মুঠ কথা, শিৱৰ সন্তুষ্টিয়ে এই পৰ্বৰ সাৰমৰ্ম।

**২.০৯ সোণোৱাল সকলৰ খাদ্য প্ৰণালী ঃ**

সোণোৱাল নৃগোষ্ঠীটোৰ জীৱনধাৰণ আৰু বিস্তাৰ কৰি আহিছে সোণোৱাল কছাৰীৰ খাদ্য প্ৰণালী বিশেষ বৈচিত্ৰপূৰ্ণ নহয় যদিও উত্তৰ-পূৰ্বাঞ্চলত বাস কৰা অন্যান্য জনজাতিৰ লগত সাদৃশ্যতকৈ বৈসাদৃশ্যৰ পৰিমাণ অধিক। তেওঁলোকৰ ৰন্ধন প্ৰণালী আৰু খাদ্য প্ৰণালীত এক স্বকীয়তা বিৰাজমান। অৱশ্যে বিভিন্ন ঠাইৰ পৰা অসমলৈ প্ৰবজন হোৱা জনশ্ৰুতৰ সংমিশ্ৰণৰ ফলত সোণোৱাল কছাৰীসকলৰ খাদ্য প্ৰণালীত পৰিবৰ্তন অহাটো স্বাভাৱিক। কৃষিজীৱী সোণোৱালৰ প্ৰধান শস্য ধান আৰু প্ৰধান খাদ্য ভাত।

কৃষিকৰ্মত ঋতু অনুসৰি সোণোৱাল সকলে আহু, শালি আৰু বাওধানৰ খেতি কৰে। ভিন ভিন ধানৰ খাদ্যৰ সোৱাদ ভিন ভিন হোৱাৰ দৰে সোণোৱালসকলৰ খাদ্যৰ তালিকাখনো বিভিন্ন খাদ্যৰাজিৰে পৰিপূৰ্ণ। সোণোৱাল কছাৰীসকলে উৎপাদন কৰা ধান অন্যান্য জনগোষ্ঠীৰ লগত প্ৰায়ে নামৰ ক্ষেত্ৰত বিভিন্নতা লক্ষ্য কৰা হয়।

**সোণোৱালসকলে উৎপাদন কৰা ধানৰ নাম ঃ**

ক) আহু আৰু বাওধান ঃ ৰঙা আহু, বগা আহু, মাগুৰী বাও, দল বাও, শইকী বাও (বিশেষভাৱে ধেমাজি অঞ্চলৰ সোণোৱাল সকলৰ মাজত প্ৰচলিত), এদলীয়া বাও, কুকুৰা বাও, শুং বাও আৰু উহ বাও, চিলচিলী বাও।

খ) শালিধান ঃ আহোম শালি, চুতীয়া শালি, বৰকোলা, কচুকোলা, সেন্দুৰী শালি, নেকেৰা, জাহিংগা, গৰখীয়া শালি, ঝিঙনী।

গ) লাহি ধান ঃ নলচতি, মালভোগ, শক্সলপোনা, আমপাখি, বগাজহা, মানিকী মধুৰী, ক'লা জহা,

সোৱাগমনি, বৰাধান, পাখৰী বৰা, বৰ বৰা, ক'লা বৰা, তুলসী বৰা, আহু বৰা, গৰখীয়া শালি, কাতি নিঙলি, বেতগুটি, মঠঙা, টঙনা বৰা, থপা বৰা, চিলচিলি বৰা, শুকানী, নিঙলী, নেকেৰা আদি। আন সম্প্ৰদায়ৰ পৰা সঁচ আনি কৰা ধানৰ নামকৰনো সেই সম্প্ৰদায়ৰ নামেৰে হোৱাটো তাৎপৰ্যপূৰ্ণ। তেনে কিছুমান ধানৰ নামকৰনো সেই সম্প্ৰদায়ৰ নামেৰে হোৱাটো তাৎপৰ্যপূৰ্ণ। তেনে কিছুমান ধানৰ নাম বিহাৰী খামটি শালি, গৰীয়া শালি, মণিপুৰী লাহি, নেপালী লাহি আদি।

ঘ) চাউল ঃ সোণোৱালসকলে আৰৈ আৰু উখুৱা (উখোৱা) দুয়োবিধৰ চাউলকে ব্যৱহাৰ কৰে। আলহী অতিথিৰ বাবে আৰু বিশেষ সকাম-নিকাম, পূজা পাৰ্বন তথা বিভিন্ন ধৰণৰ মাংগলিক কাৰ্যত বৰা চাউল ব্যৱহাৰ কৰা হয়। বৰা চাউলৰ পৰা চাংপতা, ভাপত দিয়া, চেৱা দিয়া, আখৈ চিৰা, কোমল চাউল আদি জলপান আৰু বৰা ভাত প্ৰস্তুত কৰা হয়। বৰা ভাত, মাহ, শাক আৰু পাতি হাঁহৰ মাংসৰ কাহীখন বিশেষ সন্মানীয়জনক ভক্তি সহকাৰে আৰু আপোনজনক আন্তৰিকভাৱে পৰিবেশন কৰা হয়।

**মদ আৰু মদৰ প্ৰস্তুত প্ৰণালী ঃ**

সোণোৱাল সমাজত চাউলৰ পৰা তৈয়াৰী মদৰ ব্যবহাৰ ব্যাপকভাৱে আছে। সোণোৱাল কছাৰীসকলৰ আদিগুৰু সজাই দেৱতাৰ বাক্য অনুসৰি সোণোৱালসকলে তিনি চুঙা মদ খোৱাৰ নিয়ম আছিল। হাৰি মাতি সমজুৱাভাৱে ঘৰচোৱা, ভেটি উঠোৱা, খেৰকটা আৰু ধান চপোৱা ইত্যাদিত মদ অপৰিহাৰ্য। ন ছোৱালী চোৱা জগৰ মৰা, বিয়নি ভাত, ন জ্ঞাতি চিনাকি পৰ্ব আদি সমজুৱাৰ মাংগলিক অনুষ্ঠানতো উলহ মালহেৰে মদ্যপান কৰা হয়। বৰা চাউলৰ পৰা প্ৰস্তুত কৰা মদ বহুলভাৱে খীন পুজা, সৰগদেও পূজা, গজাই ভোজ, বাইথ পূজা-পাৰ্বণসমূহত এই বুঢ়া পোহা মৃতকক দিয়া, ন খোৱা আদি অনুষ্ঠানত ব্যৱহাৰ কৰা হয়। লগতে এই মদেৰে পূজা পাৰ্বণ সমূহত শান্তিজল দিয়া হয়।

**মদ তৈয়াৰ কৰা পদ্ধতি ঃ**

বৰা আৰু শালি দুয়োবিধ চাউলৰ পৰা মদ তৈয়াৰ কৰা প্ৰথা পূৰ্বৰে পৰা চলি আহিছে। শালি চাউলতকৈ সোণোৱালসকলে বৰা চাউলৰ পৰা মদ বেছিকৈ প্ৰস্তুত কৰে। মদ তৈয়াৰ কৰিবলৈ চাউলৰ লগতে মদ পিঠাৰ অতি প্ৰয়োজন। নানাবিধ বনৰীয়া লতাৰে মদ পিঠা তৈয়াৰ কৰা হয়। পানীসুৰি, গৰপচুৰিৰ মিঠাপাত, বিহলঙনি, শিপা আৰু কুমলীয়া পাত, খৰখৰি পাত, মাধৈ মালতীৰ শিপা চাউলৰ সৈতে গুড়ি কৰি তাৰে মদ পিঠা তৈয়াৰ কৰা হয়। এই মদ পিঠা তৈয়াৰ কৰা হয়। এই মদ পিঠা ধানখেৰেৰে ঢাকি থৈ গাপত শুকাবলৈ দিয়া হয়। শুকাই ফুৰফুৰীয়া হ'লে এই মদ পিঠাৰে মদ প্ৰস্তুত কৰাৰ উপযোগী হৈ পৰে।

আঢ়ৈ কিলো অথবা তিনি কিলো চাউলৰ পৰা এক কলহ মদ বনাব পাৰি। চাউলখিনি তিনি ঘণ্টা মান তিয়াই থৈ চাউলখিনি ভাপত সিজাই, সিজোৱা চাউলখিনিৰ লগত মদ পিঠা (পিঠাৰ আকাৰ অনুসৰি) দুটা বা তিনিটা পিঠা সিজাব লাগে। এটা বাঁহৰ সেৰেঙা খৰাহিত কলপাত পাৰি তাতে উক্ত মিশ্ৰণখিনি ভালদৰে মেৰিয়াই থ'ব লাগে। তিনিদিনৰ পাছত কিছু ৰস জমা হয়। সেই ৰসখিনিকে সোণোৱালসকলে 'ৰস' বুলি কয়। তিনিদিনৰ পাছত সুন্দৰ গোন্ধ ওলালে উক্ত মিশ্ৰণখিনি খৰাহিৰ পৰা নি কলহত ভৰাই থয়। যেতিয়া খাবৰ মন যায় তেতিয়া আগদিনা কলহত পানী দি থয়। পিছদিনা এটা খৰাহিত সেকি লৈ উক্ত পানীয়খিনি মদ হিচাপে ব্যৱহাৰ কৰে।

'ৰসি মদ' সোণোৱালসকলৰ অতি আদৰৰ। সোণোৱাল মহিলাই অতি আপোন আৰু সন্মানীয় ব্যক্তিক 'ৰসি মদ' খোৱাব পাৰিলে নিজকে পৰম ভাগ্যৱতী গৃহিণী বুলি বিবেচনা কৰে। শৰীৰ আৰু মনৰ পুষ্টি সাধনৰ

বাবে নিয়মীয়াকৈ 'মদ' সেৱন কৰিলে উপকাৰ হয় বুলি সোণোৱাল লোক-সমাজত বিশ্বাস চলি আহিছে। অত্যাধিক যিকোনো খাদ্যই অপকাৰী। বেছিকৈ মদ খালেও অপকাৰ হয়। মদ নিয়মিতভাৱে ব্যৱহাৰ কৰিলে মানুহৰ জীৱনীশক্তি বৃদ্ধিৰ ক্ষেত্ৰত মহৌষধৰূপে পৰিগণিত হয়। প্ৰাচীন কালত ঋষি-মুনিসকলে সোমৰসেৰে জীৱন সমৃদ্ধ কৰা কথা সৰ্বজনবিদিত পৰম্পৰাগত আহাৰ পৰিত্যাগ কৰাটো স্বাস্থ্যৰ বাবে হানিকাৰক। মদো পৰম্পৰাগতভাৱে সেৱন নকৰিলে শাৰীৰিক শক্তিৰ অনিষ্ট হ'ব পাৰে।

সমাজত যাতে মদে একো অনিষ্ট কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিহে মদ সেৱন কৰা উচিত। বৰা চাউলৰ পৰা প্ৰস্তুত কৰা মদ সোণোৱাল সমাজত আদৰণীয় বুলি বিবেচিত হৈ আহিছে।

**সোণোৱালসকলে খোৱা মাছ আৰু শুকতি মাছৰ প্ৰস্তুত প্ৰণালী ঃ**

সোণোৱালসকল স্বভাৱতে কৰ্মঠ। তেওঁলোকে পৰ্যাপ্ত পৰিমাণে খাল, বিল, পুখুৰীৰ পৰা ৰৌ, বৰালি, কুঢ়ি, চেনিপুঠি, পাভ, বাহু, চিতল, চেঙেলী, শিঙি, শাল, শ'ল, পুঠি, বাত আদি বিবিধ মাছ থোহা, ঠোকা, ডিঙৰা, চেপা, জালৰ সহায়ত মাছ মাৰে। মহিলাসকলে মাছবোৰ কাটি-বাছি ধুই-পখালি একুৰা ডাঙৰ জুই চাঙত শুকুৱাই থয়। কিছুমান শুকুৱা মাছ ভালকৈ শুকুৱাবলৈ বাঁহৰ খৰাহিত ভৰাই চাঙত উঠাই থয় বাকী আন শুকুৱা মাছখিনি পৰিষ্কাৰকৈ ধুই পানীখিনি নিগৰাই লোৱা কচুঠাৰি মিহলাই যিমান পাৰি সিমান গুৰি কৰি খুন্দি মিশ্ৰণখিনি এটা বাঁহৰ চুঙাত ঠাহি ঠাহি ভৰোৱা হয়। চুঙাৰ মুখলৈ গৰম ফুটছাই তথা আঙঠাৰে ভালকৈ বন্ধ কৰি কলপাতেৰে বান্ধি জুইৰ ওপৰত ওলোমাই থয়। এমাহমানৰ পাছত ই খোৱাৰ উপযোগী হৈ উঠে। শুকতি মাছ অতি তৃপ্তিদায়ক, ইয়াৰ পৰা নানাধৰণৰ ব্যঞ্জন ৰান্ধিব পাৰি। সোণোৱাল কছাৰীসকলে শুকতি মদ অত্যন্ত তৃপ্তিৰে খায়। ৰৌ, বৰালি, পুঠি, খলিহনা, শিঙি, শিঙৰা, মাগুৰ, নাৰ, বাত, পাভ, বৰদৈয়া, মোৰা, ডঁৰিকনা, লাওগুটি, বামি, কুচিয়া, বতিয়া, তুৰা, ককিলা, আকৰিমাছ, বাহুপাতি, চন্দা আদি নানাবিধ মাছ নৈ-বিল, পুখুৰীৰ পৰা ধৰি আনি এনে পদ্ধতিৰে থোৱা হয়। শুকতি মাছ এনেধৰণে প্ৰস্তুত আৰু সংৰক্ষণ কৰা হয়।

**বাঁহগাজৰ সংৰক্ষণ ঃ**

বাঁহৰ গাজক সৰু সৰুকৈ কাটি কিছুমান ঢেঁকী বা উৰালত খুন্দি গুৰি কৰি লৈ তাক মাটিৰ কলহ নতুবা বাঁহৰ চুঙাত ভৰাই মুখখন বতাহ সোমাব নোৱাৰাকৈ বন্ধ কৰি ৰাখে। তিনি চাৰি দিনৰ পাছত কলহ নাইবা চুঙাৰ ভিতৰত বাঁহৰ গাজ টেঙা হয়। কেইদিনমানৰ পাছত খৰিচা টেঙাৰ সুগন্ধ বাহিৰ হয়। আনহাতে, গজালিৰ কুমলীয়া ফুল অংশ লগে লগে জুতি লগাই খাৰ বা টেঙা দি সৰু-সৰু মাজেৰে ৰান্ধি খায়। বাঁহৰ গাজ শুকুৱাই টেকেলি বা চুঙা আদিত ভৰাই ৰাখি শুকান খৰিচাৰ সোৱাদ ল'ব পাৰি। বাঁহগছৰ খৰিচাৰ দৰে লাই, মূলা, ওলকবি, বন্ধাকবিও শুকুৱাই সংৰক্ষণ কৰি আবতৰত সুন্দৰকৈ আমিষ অথবা নিৰামিষেৰে খাব পাৰে। সেইদৰে বহুদিনলৈ পকা ঔটেঙা, বগৰী আদি ফলসমূহো শুকুৱাই ঢেঁকীত খুন্দি শুকান গুৰি কৰি থ'ব পাৰি। সেই গাজটেঙাত মাজে মাজে ৰ'দত দি থোৱা তেল সানি থ'লে বহুদিনলৈ সাঁচি খাব পৰা যায়। সোণোৱালসকলৰ বিভিন্ন টেঙা আঞ্জা অতি প্ৰিয়। গৰমৰ পৰা পৰিত্ৰাণ পাবলৈ পকা থেকেৰা, নেমু টেঙাৰ চৰ্বত কৰি খায়ো তৃপ্তি লভে।

**শোকোতা সংৰক্ষণ ঃ**

শোকোতা এবিধ উত্তম ভৰণ। তিতা মৰাপাট ৰক্তমদত ভালদৰে শুকুৱাই শোকোতা প্ৰস্তুত কৰা হয়। জ্বৰ শাম নাকাটিলে, জ্বৰ মূৰত উঠিলে শোকোতা এবাতি পানীত তিয়াই সেই পানী ৰোগীৰ মূৰ, পিঠি আদিত তিয়াই দিলে ৰোগীৰ জ্বৰ উপশম হয় বুলি বিশ্বাস কৰি অহা হৈছে।

**সোণোৱালসকলে খোৱা পোক-পৰুৱা ঃ**

সোণোৱাল কছাৰীসকলে নানাবিধ পোক-পৰুৱা খাদ্য হিচাপে গ্ৰহণ কৰে। আমৰলি পৰুৱাৰ টোপ, এৰি আৰু মুগাৰ লেটা, উঁইচিৰিঙা, খাতৰ নিংকৰি, খোতমা, ঝুপিয়াং হেতাতলিয়া, কেঁকোৰা, কুঁদু, বৰলৰ টোপ, ছেয়া পোক আদি পোক-পতংগও আহাৰ হিছাপে গ্ৰহণ কৰে। বনৰীয়া বৰা, সুগৰি, হৰিণ, শহা, কেটেলা, কেমটাই, ডাউক, দেওহাঁহ, ৰামকং, শৰালি, ঘিলাহাঁহ, চকোৰা, কামচৰাই, পৰঘোমা, হাইঠা, কপৌ, শালিকী আদি পশু-পক্ষীও আহাৰৰ বাবে গ্ৰহণ কৰে।

আমিষভোজী সোণোৱাল পুৰুষ-মহিলাসকলে হাবিৰ পৰা মাছ-কাছ, পশু-পক্ষী, পতংগ আদি ধৰি আনি খাদ্য হিচাপে ব্যৱহাৰ কৰে যদিও কৃষিজীৱী সোণোৱাল নৃগোষ্ঠীটোৱে হাঁহ, কুকুৰা, মাছ, গাহৰি, ছাগলী আদি ঘৰতে পোহে। জনগোষ্ঠীটোৱে হাঁহ, কুকুৰা, গাহৰি, ছাগলী আদি খাদ্য হিচাপে গ্ৰহণ কৰাৰ উপৰিও অনেক ধৰ্মীয় উৎসৱ আৰু পূজা-পাৰ্বণতো ব্যৱহাৰ কৰে। সোণোৱালসকলৰ হুগ্ৰা নৃত্য চিকাৰৰ বব ষাঠি, লাঠি জোং, বৰষা, ধনু-কাঁড়, চিটিকা, ফান্দ আদিৰে পশু-পক্ষী ধৰে। জাকৈ-খালৈ, জুলুকি, পল আদি সাধাৰণতে ব্যৱহাৰ হোৱা মাছ ধৰা সা-সঁজুলি বাঁহৰ কাঠি-কামিৰ পৰা সোণোৱালসকলে সাজি লয়।

সোণোৱালসকলে সৰীয়হৰ পৰা বিবিধ ৰন্ধনৰ জুতি লয়। সৰিয়হৰ পৰা তেল পেৰি বৈ যোৱা শুকান সৰিয়হখিনিক খলিহৈ বুলি কোৱা হয়। খলীহৈৰ পৰা সোণোৱাল গৃহিণীয়ে মুখৰোচক খাদ্য প্ৰস্তুত কৰে। সেইদৰে খলিহৈ, খাৰলি, পানীটেঙা আদি প্ৰত্যেকজন সোণোৱালৰ প্ৰিয় ব্যঞ্জন।

সোণোৱালসকলে দৈনন্দিন ভাতসাঁজৰ উপৰি জা-জলপান প্ৰচুৰভাৱে ব্যৱহাৰ কৰে। তেওঁলোকে জা-জলপানসমূহ চাউলৰ পৰাই প্ৰস্তুত কৰে। ঘৰলৈ অহা আলহী অতিথিক জলপানেৰেই আপ্যায়িত কৰে। জলপানৰ ভিতৰত কোমল চাউল, চিৰা, সান্দহ, ভজা পিঠাগুড়ি, কৰাই, মুড়ি নানা বিধ জলপান আদিয়ে প্ৰধান। সোণোৱালসকলে প্ৰস্তুত কৰা কোমল চাউল, অসমৰ অন্য জনগোষ্ঠীৰ প্ৰস্তুত প্ৰণালীৰ সৈতে এক নহয়। চিৰা আৰু সান্দহ বৰা নাইবা লাহি ধানৰ পৰাহে তৈয়াৰ কৰা হয়। চিৰা পুনৰ ভাজি দোৱা ভজা চিৰা কৰে। গাখীৰ, দৈ, গুড়, জলপানৰ উপকৰণ কেঁচা নাইবা ভজাপিঠাৰ সৈতে পকা কল নাইবা পকা কঁঠালৰ বাদু সানি কৰা জলপান বৰ উপাদেয় আৰু ৰুগীয়া মানুহৰ বাবে উপযুক্ত পথ্য। ধুমপিঠা, টেকেলি পিঠা, চপৰা পিঠা, জোলপিঠা, ঘিলাপিঠা, আঙুলি পিঠা, হুতুলী পিঠা, তিলপিঠা, কান্দুলি পিঠা আদি বিভিন্ন আকৃতিৰ আৰু অপূৰ্ব স্বাদৰ। এই পিঠাবোৰত সোণোৱাল গ্ৰামীণ জীৱনৰ কলাসুলভ প্ৰতিভা আৰু ভিন্নৰুচিৰ পৰিচয় পোৱা যায়। বিভিন্ন ফলমূল, গুড় আৰু পিঠাগুড়ি মিহলাই কৰা পিঠা আৰু লাডু বৰ তৃপ্তিদায়ক। গাখীৰ, পিঠগুড়ি আঠীয়া কলেৰে প্ৰস্তুত কৰা লুথুৰি পিঠা কেঁচুৱা আৰু নৰিয়াত পৰা অসুখীয়া মানুহৰ বাবে উত্তম খাদ্য। বিয়া-সবাহত কোমল চাউল, দৈ, গাখীৰ আৰু গুড়ৰ জলপান পৰিবেশন কৰাটো এক পৰম্পৰা। হাৰি আদি অনুষ্ঠানত নতুন বৰা চাউল কুমলীয়া বাঁহৰ চুঙাত সিজাই চুঙা চাউল দিয়াটো সোণোৱালসকলৰ পূৰ্বৰে ৰীতি। সোণোৱালসকলে ভাদ মাহত শাকত খোৱা কচুক পানীত সিজাই গুড়, চেনী আৰু গাখীৰৰ লগত পোৱা আৰু আবেলি জলপান হিচাপেও ব্যৱহাৰ কৰে।

বিভিন্ন ফল-মূল আদিও সোণোৱালসকলৰ জা-জলপানৰ ভিতৰত পৰে। বিবিধ জাতৰ কল, কঁঠাল, লেটেকু, পনীয়ল, ৰবাব টেঙা, বৰ টেঙা, টেপৰ টেঙা, চকলা টেঙা, মিঠা টেঙা, জলফাই, অমৰা, তেঁতেলী, বগৰী, আমলখি, মধুৰী, জামুক, থেকেৰা, থেৰেজু, কুটকৰা, মিৰিকা টেঙা, নুনী পকা, অমিতা, ডিমৰু, বনপিঠা, ঐটেঙা, কৰ্দৈ টেঙা, কচুকল, জেতুলী পকা, ফুটকলা, পানী শিঙৰী, চেচু, শেলুক, কেহেৰু, পদুমৰ

মালতীৰ গুটি, তিয়হ-ছিৰাল, মিঠা আলু, কাঠ আলু, মোৱা আলু, তৰা আলু, শিমলু আলু, কচু আলু আদি অনেক ফল-মুল আহাৰ হিচাপে গ্ৰহণ কৰে।

**সোণোৱাল সকলৰ পৰম্পৰাগত আঞ্জা ঃ**

বাঞ্জন সুস্বাদু আৰু সুৰুচিপূৰ্ণ কৰিবলৈ নিমখ-হালধিৰ বাহিৰেও বাৰিতে উৎপাদিত হোৱা আদা, হালধি, জলকীয়া, জালুক, পিপলি, ধনীয়া, নহৰু, পনৰু, পিয়াজৰ উপৰি তেজমুই, নিয়েদুং বা মেমেধু জাখলেং গুটি, জাব্রাং, মেজেঙি, তেজপাত, পশুপাত আদি হাবি বননিৰ পৰা সংগ্ৰহ কৰা মচলা ব্যৱহাৰ কৰি মুখৰোচক কৰি তোলে। তদুপৰি বজাৰত পোৱা মচলা, জিৰা, চফ, মেথী, কালজিৰা, হিং আফুগুটি, কৰ্পূৰ আদি ব্যবহাৰ কৰে। সোণোৱালসকলে হালালী ৰাজ্যত ৰাজত্ব কৰা কালছোৱাত 'মহং' নামৰ পৰ্বতৰ পৰা লোণ সংগ্ৰহ কৰিছিল বুলি জনশ্ৰুতিত প্ৰচলিত। এই মহং নামৰ ঠাইখন আহোম ৰাজ্যৰ পৰা অনেক দূৰৈত আৰু হালালী ৰাজ্যৰ অন্তৰ্গত হোৱাৰ বাবে আহোমসকলৰ লোণ বৰ দুষ্প্ৰাপ্য হৈ পৰিছিল। সেয়েহে অসমীয়াত আজিও দুষ্প্ৰাপ্য অৰ্থ বুজাবলৈ 'মহঙা' শব্দৰ ব্যৱহাৰ কৰা হয়। আমদা এবিধ তৰা জাতীয় আলু। ইয়াক কেঁচাই চাটনি কৰি নতুবা মাটি দাইল আৰু অন্যান্য আঞ্জাত দিব পাৰি। আঞ্জা হিচাপে সোণোৱাল কছাৰীসকলে ব্যৱহাৰ কৰা জবৰা শাক, কচু শাক, মাহ শাক, খৰ শাক আদিয়েই প্ৰধান। জবৰা শাকত সাধাৰণতে তেল মৰা নহয়। কচু, ঢেকীয়া, লফা, খুতুৰা, পালেং লাই আদিৰ লগতে জবৰা শাকখন ঔটেঙা, বগৰী আৰু কৰ্দৈ, তেঁতেলী, জলফাই আদি টেঙা দি সৰু মাছৰ ৰন্ধা হয়। খাৰণিৰ বাবে মাটিমাহৰ জাবৰি পুৰি খাৰ তৈয়াৰ কৰা হয়। আঠিয়া কলৰ বাকলিৰ পৰা কৰা কলখাৰ মাটিমাহত ব্যৱহাৰ কৰে। মাটিমাহৰ শাকখনত বেতগাজ নাইবা তিতা কেৰেলা আদি দিয়া হয়। কেতবোৰ তিতা শাক যেনে - তিতাকুচিৰ ফুল আৰু কলি, শেৱালী ফুল, দুৰোণ বন, শোকোতা আদিত খাৰণি দি আঞ্জা ৰন্ধা হয়। কল পচলা আৰু বাঁহ গাজত খাৰ দিহে মুখৰোচক ব্যঞ্জন প্ৰস্তুত কৰা হয়। পাতিহাঁহৰ মঙহৰ সৈতে বাঁহগাজ নাইবা পানী কোমোৰাৰ আঞ্জা শ'লমাছৰ সৈতে মূলাৰ জোল খোৱা হয়। ঔটেঙা, কুকুৰা নাইবা পাৰ মাংসৰ সৈতে কলডিলৰ ভাজি, ডৰিক আৰু বেঙেনাৰ ভাজি, লাই শাকৰ থৰমৰ সৈতে গাহৰি মঙহৰ ভাজি, ভেঁকুৰি গুটি, কচুৰ লতি, মানিমুনি, ভেদাইলতা, মছন্দৰী দোৰোণ, তিতাকচি, উঁৰিকণা, মোৱা আদি পাতত দিয়া, কঁঠালগুটি, বেতগাজ, বেঙেনা, কচুআলু, বিধে বিধে মাছ, গাহৰি, হাঁহ, চৰাই আদিৰ মঙহ পোৱা এইবিলাক বিষয়ৰূপে গণ্য কৰে। তাৰ উদাহৰণ উক্ত জনশ্ৰুতিসমূহত পোৱা যায়। সোণোৱাল কছাৰীৰ উপাস্য দেৱতা খ্ৰীং দেৱতা। সেইহেতু সোণোৱাল কছাৰীসকলৰো জনশ্ৰুতিত টেবু ৰ প্ৰাধান্যতাৰ কথাকে নিৰ্দেশ দিয়ে।

জনশ্ৰুতি সমূহত উল্লেখ থকা প্ৰবাদসমূহৰ বিজ্ঞানভিত্তিক বিশ্লেষণ কৰিলে সোণোৱাল জনজাতিসকলৰ বাসভূমিৰ ক্ষেত্ৰত এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে তেওঁলোকে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ এটি আদিম অধিবাসী আৰু তেওঁলোকৰ শদিয়াৰ হালালীত এখন ৰাজ্য থকাটো ঐতিহাসিকভাৱে সত্য। কাৰণ আটাইকেইটা জনশ্ৰুতিয়ে সোণোৱালসকল যে অসমৰ আদিমবাসী তাক নিশ্চিতভাৱে ঠাৱৰ কৰিছে।

অন্ন, বস্ত্ৰ আৰু বাসভূমিৰ সন্ধানত যে মানুহ জাতিয়ে পৃথিৱীৰ বিভিন্ন প্ৰবজন কৰিছিল ই ঐতিহাসিকভাৱে সত্য। সোণোৱালসকলে অৰ্থনৈতিক কাৰণতেই তিব্বত হৈ প্ৰাচীন অসমৰ শদিয়াৰ হালালী ৰাজ্যত বিয়পি পৰিছিল বুলি মতামত দিব পৰা যায়।

**সোণোৱাল সমাজত তামোল-পাণৰ ব্যৱহাৰ ঃ**

লৰা-বুঢ়া, ডেকা-গাভৰু, পুৰুষ-মহিলা নিৰ্বিশেষে সকলো সোণোৱাল কছাৰীৰ তামোল খোৱাত কোনো বাধা নিষেধ নাই। সকলো সোণোৱাল কছাৰীৰ ঘৰত তামোল-পাণৰ বাৰী আছে। নামঘৰ, গুৰু-

গোসাঁই, পূজা-পাতল, মাংগলিক কৰ্ম আদিত তামোল-পাণৰ ব্যৱহাৰ কৰা হয়। ঘৰলৈ অহা আলহীক তামোল-পাণেৰে আপ্যায়িত কৰা হয়। হাবিৰ পৰা সংগ্ৰহ কৰা টকৌ চালি, সেৰা চালি, লালেং চালি, টেপৰ চালি আদি বিধে বিধে চালি সংগ্ৰহ কৰি তামোল-পাণৰ সৈতে খোৱা হয়। তামোল-পাণৰ ব্যৱহাৰৰ বিষয়ে সোণোৱালসকলৰ পোহাৰী গীতত প্ৰকাশ পাইছে -

হেঁপাহ পায় পোহাৰী বাই
পাণ আনিবা ডাঙৰ চাই
ছালি আনিবা কেঁচা চাই
ধঁপাত আনিবা চোকা চাই
চূণ আনিবা নিকা চাই
পাণ বিয়বা সোণেশ্বৰ চাই
কেঁহা তামোল সোৱাদ পায়।

কাতি বিহুৰ দিনা পথাৰত আকাশ বাতি (আকাশবন্তি) দিওঁতে প্ৰথমে কেঁচা তামোল ব্যৱহাৰ কৰা হয় আৰু সেইদিনাৰ পৰাই কেঁচা তামোল খোৱাৰ নিয়ম। পকা তামোল মাটিত পুতি থৈ সাঁচি থোৱাৰো নিয়ম আছে।

**সাজ-পাৰ আৰু আ-অলংকাৰ ঃ**

সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত সাজ-পাৰ আৰু সেয়া পৰিধানৰ নিয়ম আছে। নাৰীয়ে ৰিহা-মেখেলা, একেথিয়া, চাদৰ, টকয়া আদি পৰিধান কৰে। জীয়ৰী ছোৱালীয়ে মুগাৰ উকা মেখেলা বা সৰু ফুল থকা মেখেলা আৰু গাত ৰিহা লয়। ৰিহাৰ আঁচল আগফালে আনি বুকু ঢাকি খুচনি মাৰে। গাভৰু-বোৱাৰীসকলে মুগাৰ মেখেলা, বুকুত মেথনি আৰু মূৰত টকয়া বান্ধে। বয়সস্থাগৰাকীয়ে বুকুত মেখেলা, কঁকালত একেথিয়া মাৰে। পুৰুষৰ ক্ষেত্ৰত দেখা যায় যে ঘৰত বোৱা ধুতী আৰু দীঘল গামোচা পোন্ধ মাৰি পিন্ধে, উৎসৱ-অনুষ্ঠানত পাট-মুগা বা কপাহী কাপোৰৰ দীঘল চোলা, কান্ধত চেলেং চাদৰ আৰু কেতিয়াবা গামোচা লয়।

# তৃতীয় অধ্যায়

**৩.০০ সিদ্ধান্ত ঃ**

মানৱ প্ৰজাতিৰ এই আদিমতম সামাজিক উৎসৱ কালক্ৰমত এক শক্তিৰ ৰহস্য। সময়ৰ সোঁতত এই শক্তিয়ে বাস্তৱ ৰূপত ধৰা দিলেহি এক ধৰ্মীয় তত্ত্বলৈ। সময়ৰ কোবাল সোঁতত সংস্কৃতিৰ ৰূপ সলনি হয়। সোণোৱাল কছাৰীসকলৰ এই ধৰ্মীয় পূজা কৰি আহিছে। এই পূজা আৰাধ্য দেৱতাক সন্তুষ্ট কৰিবলৈকে 'বহুৱা নাচ' প্ৰতি দুই বছৰৰ মূৰে মূৰে আয়োজন কৰা হয়। য'ত গাওঁখন অপায়-অমংগল দুৰ হৈ খেতিপথাৰ শস্য নদন-বদনেৰে উপচি পৰাৰ প্ৰতীকী অৰ্থত পালন কৰা হয়। এই ক্ষেত্ৰত আৰু অধিক গৱেষণাধৰ্মী আলাপ-আলোচনাই মানৱ সভ্যতা ক্ৰমবিকাশৰ বহুখিনি নতুন দিশ বা তথ্য উন্মোচন কৰিবলৈ সক্ষম হ'ব। অৰ্থাৎ সোণোৱালকছাৰী জনজাতিৰ সাঁজ-পাৰ, আ-অলংকাৰ বৈচিত্ৰ লোক-আভৰণ খাদ্য আৰু শস্যসম্ভাৰ উৎসৱ-অনুষ্ঠান আদি, মানৱ প্ৰজাতিৰ সভ্যতা বিকাশৰ এক জীৱন্ত দলিল।

**৩.০১ সামৰণি ঃ**

সোণোৱাল কছাৰীসকলৰ সামাজিক সাংস্কৃতিক জীৱন ধাৰাৰ এটা সৰু অধ্যয়ন দাঙি ধৰা হৈছে। অসমৰ লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাত সোণোৱাল কছাৰীসকলে অতীতৰ পৰা বসতি কৰি আহিছে। চৰকাৰী পিয়লৰ নথিত সোণোৱাল কছাৰীৰ জনসংখ্যাৰ বিতং বিৱৰণ নাই যদিও এই জাতিৰ লোকসংখ্যা বুজন হ'ব লাগে। চৰকাৰী মহলত এই জটিল ভৈয়ামৰ জনজাতি লগতে পৰিগণিত কৰা হয় অসমত বাস কৰা কছাৰী জাতি আজি যদিও বিভিন্ন জাতি হিচাপে বসতি কৰি আহিছে তথাপি শদিয়াৰ পৰা ধুবুৰীলৈকে সকলো কছাৰীয়ে মূলত এক বুলি পৰস্পৰে পৰস্পৰক ভাতৃভাৱে আঁকোৱালি লৈহে আনন্দ পায় আৰু সেইকাৰণে কছাৰীৰ কলা-কৃষ্টি, আদান-প্ৰদান, মিলা-প্ৰীতি সকলো ক্ষেত্ৰতে আত্মীয়তা বোধ পৰিলক্ষিত হয়। বৰ্তমান ক্ৰমোন্নতিৰ যুগত বড়ো, ৰাভা, হাজং ডিমাছা, লালুং ঠেঙাল আৰু সোণোৱাল কছাৰীৰ মাজত বৈবাহিক সম্বন্ধও ক্ৰমান্বয়ে চলি আহিছে।

প্ৰসংগ **টোকা ঃ**

১) কছাৰী, নন্দেশ্বৰ ঃ সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়, পৃঃ ১৬০।

২) দাস, অংশুমান ঃ অসমৰ জনগোষ্ঠীয় উৎসৱ পাৰ্বণ, পৃঃ ১৫৫-২০০।

৩) দাস, প্ৰমোদ চন্দ্ৰ ঃ অসমৰ সংস্কৃতি জিজ্ঞাসা, পৃঃ ১৫০।

৪) গগৈ, চাও লোকেশ্বৰ ঃ অসমৰ লোক-সংস্কৃতি; পৃঃ ৪২-৫৩।

**গ্ৰন্থপঞ্জী**


১) দাস, অংশুমান ঃ *অসমৰ জনগোষ্ঠীয় উৎসৱ পাৰ্বণ*, প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ ২০১৩, দ্বিতীয় প্ৰকাশঃ ডিচেম্বৰ ২০১৬।

২) দাস, প্ৰমোদ চন্দ্ৰ ঃ *অসমৰ সংস্কৃতি জিজ্ঞাসা*, অলিম্পিয়া প্ৰকাশন; প্ৰথম প্ৰকাশ ঃ মে ২০১৫।

৩) শইকীয়া, লভিত কুমাৰ ঃ '*সোণোৱাল কছাৰীৰ সংস্কৃতিক*', প্ৰকাশক ঃ লভিত কুমাৰ শইকীয়া, মেগলা ছৈ খোৱা ঘাট, তিনিচুকীয়া অসম, প্ৰথম প্ৰকাশ ঃফেব্ৰুৱাৰী ১৯৮১ ! শক মাঘ ১৯০৩; দ্বিতীয় প্ৰকাশ ঃ ফেব্ৰুৱাৰী ২০১৮ ! শক মাঘ।

৪) কছাৰী, নন্দেশ্বৰ ঃ *সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়* (নন্দেস্বৰ কছাৰী), প্ৰকাশকঃসোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, ডিব্ৰুগড় জনজাতি গৱেষণা বিভাগ; প্ৰথম প্ৰকাশ: ২০১১ চন

**সমলদাতাসকলৰ সংক্ষিপ্ত তথ্য ঃ**

১) নাম - শ্ৰী পুতেশ্বৰ শইকীয়া।
গাওঁ - শদিয়াল
জীৱিকা - কৃষি
ডাকঘৰ - টিপমীয়া
বয়স — ৭২ বছৰ সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক — ১৪.০৫.২০২২

২) নাম - শ্ৰীযুতা বিমলা সোণোৱাল।
গাওঁ - চেৰেলি পথাৰ নপাম গাওঁ
জীৱিকা - কৃষি
ডাকঘৰ - ৰজাবাহাৰ
বয়স — ৬২ বছৰ সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক — ১৪.০৫.২০২২

৩) নাম - শ্ৰীমতী ৰুণু কছাৰী
গাওঁ - শদিয়াল
জীৱিকা - গৃহিণী
ডাকঘৰ - টিপমীয়া
বয়স — ৪২ বছৰ সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক — ১৮.০৫.২০২২

৪) নাম - শ্ৰীমতী লক্ষীমাই কছাৰী
গাওঁ - শদিয়াল
জীৱিকা - গৃহিণী, হস্ততাঁত, বস্ত্ৰশিল্প
ডাকঘৰ - টিপমীয়া
বয়স — ৪০ বছৰ সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক — ১৮.০৫.২০২২

৫) নাম - শ্ৰীমতী নিশাৰী কছাৰী
গাওঁ - শদিয়াল
জীৱিকা - কৃষি
ডাকঘৰ - টিপমীয়া
বয়স — ৮০ বছৰ সাক্ষাৎকাৰ গ্ৰহণৰ দিনাংক — ১৮.০৫.২০২২

আলোকচিত্ৰ ঃ



লাওপানী মদ (সাজ)



খ্ৰীং খ্ৰীং বাইথ পূজা



সোণোৱাল কছাৰীসকলৰ লোকখাদ্য



সোণোৱাল কছাৰীসকলৰ বিহু নৃত্য



সোণোৱাল কছাৰী প্ৰগ্ৰেমত সাজ-পোছাক পাৰিধান কৰা মহিলা



সোণোৱাল কছাৰীসকলৰ সাজপাৰ



সোণোৱাল কছাৰীসকলৰ তোলনি বিয়াৰ পৰ্ব



বহুৰা নৃত্য